প্ৰথম বছৰ, সংখ্যা ১৯

# নিউ ইণ্ডিয়া সমাচাৰ

১-১৫ এপ্ৰিল, ২০২১
বিনামূলীয়া বিতৰণ





## নতুন ভাৰতৰ বাট মুকলি কৰি

দেশৰ ক্ষীপ্ৰ অৰ্থনৈতিক উন্নয়নৰে নতুন-স্বনিৰ্ভৰশীল ভাৰত গঢ়াৰ সপোন বাস্তৱায়িত কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে বাজেট কাৰ্যকৰীকৰণৰ অংশীদাৰ সকলৰ সৈতে মত বিনিময় কৰে

# বীৰ চহিদৰ প্ৰতি মূৰ দোঁৱাই

১৯১৯ চনৰ ১৩ এপ্ৰিল তাৰিখে বৈশাসীৰ দিনটোত সংঘটিত হোৱা জালিৱানাবাগ গণহত্যাৰ ঘটনাই ১০২বছৰ সম্পূৰ্ণ কৰিব কিন্তু সেই ঘা এতিয়াও শুকোৱা নাই। সেই দিনটোত নানক সিং নামৰ এজন ২২বছৰীয়া যুৱক তাত উপস্থিত আছিল। নানক সিং সেই দিনটোত গুলীচালনাৰ পৰা ৰক্ষা পৰিছিল আৰু পাছলৈ “খুনী বৈশাসী” শীৰ্ষক এটা কবিতা ৰচনা কৰিছিল। এই কবিতাৰ জনপ্ৰিয়তা তথা কবিতাৰ পংক্তিবোৰে ইংৰাজ শাসকক ব্যতিব্যস্ত কৰি তুলিছিল আৰু অসন্তুষ্ট হৈ তেওঁলোকে এই কবিতাটো ভাৰতত নিষিদ্ধ কৰি দিছিল। জালিৱানাবাগৰ ১০২বছৰীয়া বাৰ্ষিকীৰ এই ক্ষণত সেই মূল কবিতাটোৰ নানক সিঙৰ নাতিয়েক নভদ্বীপ চুৰীয়ে কৰা ইংৰাজী অনুবাদটো আপোনালোকলৈ আগবঢ়োৱা হ'লঃ

**The Gathering in Jallianwala Bagh**

As the clock struck five on thirteenth April
They all gather in the Bagh, my friends.
Seeking justice fair and honour, they stand
Sikhs, Hindus, Muslims together, my friends.
Folks young and old, and lads went too
For only a handful had stayed back, my friends.
They went to speak, to share their grief
Place lives at stake without fear, my friends.
Worrying no more about their precious lives
They left this world behind, my friends.
With slender hope of coming back home
Desires and dreams abandoned too, my friends.
With their own blood, they wanted to bloom
The parched soil of the Bagh, my friends.
Like swarms of moths, they gathered around
To be singed by violent flames, my friends.
Fed up with life, they courted death
Forcing Yama to accept their will, my friends.
Like Mansour, who said, ‘I am the Truth!’
When he knew he’d meet the gallows, my friends.
Like Shams Tabrizi, whose quest for God
Ended up in a painful death, my friends.



নিউ ইণ্ডিয়া
সমাচাৰ
প্ৰথম বছৰ, সংখ্যা ১৯ ১-১৫ এপ্ৰিল, ২০২১

# সূচীপত্ৰ

| | | |
|---|---|---|
| ১ | সম্পাদকীয় | পৃষ্ঠা ০২ |
| ২ | পত্ৰালাপ | পৃষ্ঠা ০৩ |
| ৩ | সংক্ষিপ্ত খবৰ | পৃষ্ঠা ০৪-০৫ |
| ৪ | উৎকল দিৱস | পৃষ্ঠা ০৬ |
| ৫ | ব্যক্তিত্ব ডঃ ভীমৰাও আম্বেদকাৰ | পৃষ্ঠা ০৭ |
| ৬ | অমৃত মহোৎসৱ | পৃষ্ঠা ০৮-১০ |
| ৭ | এমআইভি ২০৩০ | পৃষ্ঠা ১১ |
| ৮ | প্ৰচ্ছদ লেখা | পৃষ্ঠা ১২-২১ |
| ৯ | ফেম ইণ্ডিয়া, বিএছ-৬ | পৃষ্ঠা ২২-২৫ |
| ১০ | মুদ্ৰা আঁচনি | পৃষ্ঠা ২৬-২৭ |
| ১১ | কেবিনেট সিদ্ধান্তবোৰ | পৃষ্ঠা ২৮ |
| ১২ | জন ঔষধি | পৃষ্ঠা ২৯ |
| ১৩ | কৰ'নাৰ বিৰুদ্ধে যুদ্ধ | পৃষ্ঠা ৩০-৩১ |
| ১৪ | মৈত্ৰী সেতু | পৃষ্ঠা ৩২ |
| ১৫ | গুৰু টেগ বাহাদুৰক স্মৰণ | পৃষ্ঠা ৩৩ |
| ১৬ | সংস্কৃতি | পৃষ্ঠা ৩৪ |
| ১৭ | কোৱাড সন্মিলন | পৃষ্ঠা ৩৫ |
| ১৮ | সলনি হোৱা ভাৰত | পৃষ্ঠা ৩৬ |

**সম্পাদক**
জয়দীপ ভাটনাগৰ,
মুখ্য সঞ্চালক প্ৰধান, পিআইবি,
নতুন দিল্লী

**পৰামৰ্শদাতা সম্পাদক**
বিনোদ কুমাৰ
সন্তোষ কুমাৰ

**অলংকৰণ**
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

**মুদ্ৰণ আৰু ছপা**
সত্যেন্দ্ৰ প্ৰকাশ,
মুখ্য সঞ্চালক প্ৰধান, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যনৰ হৈ

**মুদ্ৰণঃ**
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি -৬৬/৩, ওখলা ফেজ-২,
নতুন দিল্লী
১১০০২০

**প্ৰকাশৰ স্থান**
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন,
২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

আৰএনআই নং . : DELASS/2020/78827

response-nis@pib.gov.in

# সম্পাদকীয় মেজৰ পৰা

সাদৰ নমস্কাৰ,

জনতাৰ কল্যাণৰ বাবে লোৱা হোৱা প্ৰতিটো পদক্ষেপকেই ভাৰতত উৎসৱৰ দৰে পালন কৰা হয়, এনে কৰাৰ উদ্দেশ্য হৈছে চৰকাৰী আঁচনিবোৰৰ সফলতা আৰু নাগৰিকৰ প্ৰত্যক্ষ অংশগ্ৰহণ।

চৰকাৰে লোৱা কোনো এক নতুন পদক্ষেপে যেতিয়া ৰাষ্ট্ৰৰ চাৰিওদিশত আশাৰ বতৰা কঢ়িয়াই আনে আৰু দেশক আগুৱাই লৈ যোৱাৰ প্ৰতিশ্ৰুতি বহন কৰে তেতিয়া এই নতুন নীতি-পদক্ষেপে জনতাৰ মনত আশা-প্ৰত্যাশাৰ জন্ম দিয়ে। শেহতীয়াকৈ সংসদত উত্থাপিত হোৱা সাধাৰণ বাজেটে দেশত এক ধনাত্মক বাতাবৰণৰ সৃষ্টি কৰিছে, বাজেটে লৈ অহা নতুন আকাংশাই দেশক স্বনিৰ্ভৰশীলতাৰ লগতে আত্মবিশ্বাসী হোৱাৰ দিশত আগুৱাই নিছে। এনে হোৱাৰ অন্তৰালত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপবোৰ মনকৰিবলগীয়া। বাজেটৰ প্ৰতিশ্ৰুতিবোৰ কাৰ্যকৰী কৰিবলৈ চৰকাৰে প্ৰকৃতাৰ্থত কাৰ্যব্যৱস্থা হাতত লৈছে। সংসদীয় ৰাজনীতিত এয়া কিজনি প্ৰথমবাৰৰ বাবে এনে হৈছে যে দেশৰ প্ৰধানমন্ত্ৰীয়ে বাজেটৰ প্ৰস্তাৱবোৰ সফল কৰিবলৈ ইয়াৰ সৈতে জড়িত হৈ থকা প্ৰতিটো খণ্ড, অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হৈছে।

এনে পদক্ষেপৰ আঁৰৰ উদ্দেশ্যটো হৈছে বাজেটৰ প্ৰস্তাৱবোৰ সফল কৰাৰ বাবে চৰকাৰ আৰু ব্যক্তিগত খণ্ডৰ(বিনিয়োগকাৰীৰ) মাজৰ সম্পৰ্ক উন্নত কৰা, বিশ্বাসৰ পৰিৱেশ সৃষ্টি কৰা। চৰকাৰৰ লক্ষ্য এয়াই যে নতুন ভাৰতত প্ৰতিগৰাকী নাগৰিক, প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানে নিজৰ সম্ভাৱনাখিনি সম্পূৰ্ণৰূপে প্ৰয়োগ কৰি আগুৱাই যোৱাৰ বাবে সাহস পাব। এই প্ৰতিশ্ৰুতিকেই আমাৰ এইবাৰৰ প্ৰচ্ছদ লেখাত প্ৰতিফলিত কৰা হৈছে।

দেশত অব্যাহত হৈ থকা প্ৰতিশ্ৰুতি আৰু সংকল্পৰ ধাৰাটোৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষপুৰ্তি উপলক্ষে "অমৃত মহোৎসৱ" অনুষ্ঠিত হৈ আছে। এই মহোৎসৱে দেশৰ স্বাধীনতাৰ ৭৫বছৰৰ বৰ্ণিল যাত্ৰাক প্ৰতিফলিত কৰাৰ লগতে এইকেইটা বছৰত দেশে লাভ কৰা সফলতাসমূহো প্ৰীতিকী ৰূপত দেখুওৱা হৈছে। ইয়াৰ লগতে ২০৪৭চনত অনুষ্ঠিত হবলগীয়া স্বাধীনতাৰ শতবৰ্ষৰ অনুষ্ঠানৰ অন্তৰ্দৃষ্টিও প্ৰস্তুত কৰা হৈছে।

ভাৰতে নিজৰ স্বাধীনতা আন্দোলনৰ বীৰ সেনানীসকলৰ সংগ্ৰামী কাহিনীবোৰৰ পৰা কিদৰে অনুপ্ৰাণিত হ'ব পাৰিব সেই সম্পৰ্কত এইবাৰৰ নিউ ইণ্ডিয়া সমাচাৰত গুৰুত্ব দিয়া হৈছে।

গুৰু টেগ বাহাদুৰৰ সাহসী সত্বা, উৎকল দিৱস উপলক্ষে উড়িশ্যাৰ পাইক যোদ্ধাৰ কাহিনী, ভাৰতীয় সংবিধানৰ জনক ডঃ ভীমৰাও আম্বেদকাৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি, ক্ষুদ্ৰ ব্যৱসায়ীক আশাৰ বতৰা দিয়া মুদ্ৰা ঋণৰ কথা তথা পৰিৱেশ অনুকুল যাতায়ত ব্যৱস্থা আদি বিষয়বোৰ এই সংখ্যাত সামৰি লোৱা হৈছে। আশা কৰোঁ আপোনালোকে ভাল পাব।


আলোচনীখন পঢ়ি স্নেহ আৰু আশীষ দি থাকি আপোনালোকৰ মতামত আৰু পৰামৰ্শবোৰ আমালৈ প্ৰেৰণ কৰিবলৈ নাপাহৰিব।


ঠিকনা : ব্যুৰ' অৱ আউটৰীছ্ছ এণ্ড ক'মিউনিকেশ্বন, দ্বিতীয় মহলা, সূচনা ভৱন, নতুন দিল্লী-১১০০০৩

মেইল : response-nis@pib.gov.in

**(জয়দীপ ভাটনাগৰ)**

# পত্ৰালাপ




এসময়ৰ বাণিজ্যিক কেন্দ্ৰস্থল পূব ভাৰতৰ ওপৰত ইমান সুন্দৰ এখন প্ৰতিবেদন প্ৰকাশ কৰাৰ বাবে আপোনালোকক ধন্যবাদ। ভাৰতৰ প্ৰকৃত উন্নয়নৰ ক্ষেত্ৰত পূব ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ সম্ভাৱনীয়তা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা “এক্ট ইষ্ট” নীতিয়ে ঘাইপথ উন্নয়ন, ৰেল পথৰ উন্নয়ন, বিমান পথৰ উন্নয়নৰ লগতে ইন্টাৰনেট সংযোগীকৰণৰ ক্ষেত্ৰত লোৱা বিশেষ পদক্ষেপে জীৱনধাৰণৰ মান উন্নত কৰিছে আৰু সমগ্ৰ অঞ্চলটোলৈ উন্নয়নো আনিছে।

**চন্দ্ৰকান্ত প্ৰধান**
**Chandrakantapradhan2014@gmail.com**

নিউ ইণ্ডিয়া সমাচাৰখনৰ বিষয়ে জানিবলৈ পোৱাত মই সুখী। কিন্তু মই এটা পৰামৰ্শ দিব বিচাৰোঁ যে এই আলোচনীখনত শিক্ষাৰ্থীসমাজৰ বাবে এক বিশেষ শিতান থাকিব লাগে আৰু এই শিতানটোত চৰকাৰে প্ৰণয়ন কৰা প্ৰতিখন আঁচনিৰ বিশদ আলোচনা হ'ব লাগে।

**ৰিধিমা গুপ্তা**
**sangeetaguptashree@gmail.com**

এই আলোচনীখন পঢ়িবলৈ পোৱাৰ বাবে মই আনন্দিত। চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি তথা এই ক্ষেত্ৰত চৰকাৰে লোৱা পদক্ষেপবোৰৰ বিষয়ে এই আলোচনীখনত সঠিকভাৱে আলোচনা হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়ে দেশৰ প্ৰকৃত ছবিখন দাঙি ধৰিছে। এই আলোচনীখন কেইবাটাও ভাৰতীয় ভাষাত প্ৰকাশিত হোৱা কথাটো অন্য এটা ধনাত্মক দিশ।

**ধ্ৰুৱজ্যোতি দত্ত**
**duttadhruba200@gmail.com**

প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰ্থী হিচাপে এই আলোচনীখন আমাৰ বাবে যথেষ্ট উপযোগী। লগতে এয়া ল'ৰা-ছোৱালীৰ বাবেও উপযোগী। চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষাৰ সৈতে জড়িত হৈ আছোঁ বাবেই এই আলোচনীখনৰ গুৰুত্ব উপলব্ধি কৰিছোঁ। মই এই আলোচনীখনৰ তেলেগু সংস্কৰণ নিয়মীয়াকৈ পঢ়িব বিচাৰোঁ।

**varalakshmipalla19@gmail.com**

এয়া প্ৰকৃতাৰ্থত ধনাত্মক বাতৰি থকা এখন সুন্দৰ আলোচনী। দেশৰ খবৰ ইয়াত পোৱা যায়। আশা কৰোঁ এই ধাৰা অব্যাহত থাকিব। মই এই আলোচনীখনৰ ক্ষেত্ৰত এই পৰামৰ্শটো দিব বিচাৰোঁ যে ইয়াৰ নামটো জাগ্ৰত ভাৰত সমাচাৰপত্ৰ কৰিব পাৰিলে বেয়া নহয়, এয়া মোৰ বিচাৰ হে মাথোঁ।

**সুনীতা পেটেল**
**sunitapatel.sp7@gmail.com**


## ডিজিটেল কেলেণ্ডাৰ




ভাৰত চৰকাৰৰ ডিজিটেল কেলেণ্ডাৰ আৰু ডায়েৰীয়ে আপোনাক চৰকাৰী বিভিন্ন আঁচনি, কাৰ্যক্ৰমণিকা, প্ৰকাশন সম্পৰ্কত সঠিক খবৰ দিব। লগতে এই ডিজিটেল কেলেণ্ডাৰত চৰকাৰী বন্ধৰ লগতে উৎসৱৰ দিনবোৰৰ বিষয়ে জনাব।

গুগুল প্লে ষ্টোৰ আৰু আইঅ'চৰ পৰা এয়া ডাউনলোড কৰিব পাৰিব

গুগুল প্লে ষ্টোৰ লিংক
https://play.google.com/store/apps/details?id=in.gov.calendar

আইঅ'চৰ লিংক
https://apps.apple.com/in/app/goi-calendar/id1546365594

https://goicalendar.gov.in/

## সীমা সুৰক্ষা বাহিনীৰ শ্বহীদ পৰিয়ালৰ সন্তানৰ বাবে পৰামৰ্শমূলক সহায়ক কেন্দ্ৰ

সীমা সুৰক্ষা বলৰ(বিএছএফ) উদ্যোগত এটা নতুন প্ৰচেষ্টা হাতত লোৱা হৈছে। সীমা সুৰক্ষা বাহিনীৰ লোক দেশৰ সেৱাত ব্ৰতী হৈ থকাৰ সময়ত চহিদ হোৱাৰ পাছত এই নিৰাপত্তাৰক্ষীৰ পৰিয়ালবৰ্গ আৰু বিশেষত তেওঁলোকৰ সন্তান যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিএছএফে ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ(এনচিপিচিআৰ) সহযোগত সশস্ত্ৰ পুলিচ বাহিনীৰ সন্তানসকলৰ সহনশীলতা বৃদ্ধিৰ লক্ষ্যৰে “ছাহাৰা” শীৰ্ষক এক সহায়ক আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত বিশেষজ্ঞই সন্তানসকলক স্বাস্থ্য, শিক্ষাৰ লগতে অন্যান্য খণ্ডত পৰামৰ্শ আগবঢ়াব। এই ক্ষেত্ৰত বিশেষজ্ঞ সমিতিয়ে অধিকাৰ খৰ্ব হোৱা বিষয়বোৰত সহায়ো কৰিব। ছাহাৰাৰ জড়িয়তে বিএছএফৰ এই পৰিয়ালবোৰক কেন্দ্ৰ চৰকাৰে ৰূপায়ন কৰা বিভিন্ন কল্যাণকামী আঁচনিৰ সৈতে সংযুক্ত কৰা হ'ব। ইয়াৰ বাবে এটা বিশেষ টোলফ্ৰী নম্বৰ ১৮০০-১-২৩৬-২৩৬ আৰু এটা ৱেব লিংক https:/www.ncpcr.gov.in/ ৰখা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অধীনৰ ভাৰতীয় সেনাৰ প্ৰবীণ সঞ্চলকালয়ে (ডিৰেক্ট'ৰেট অৱ ইণ্ডিয়ান আৰ্মী ভেটাৰ্ণ-ডিআইএভি) অলপতে এখন স্মাৰক-পত্ৰ স্বাক্ষৰ কৰিছে, এই অনুসৰি কৰ্তব্যৰ সময়ত মৃত্যু হোৱা ভাৰতীয় সেনাৰ পৰিয়ালবৰ্গৰ বাবে সহায়ৰ হাত আগবঢ়াব। চৰকাৰে লোৱা কল্যাণকামী আঁচনিবোৰৰ সুফলো যেনে শিক্ষাৰ্থীলৈ বৃত্তি, উচ্চ শিক্ষাৰ সুবিধা, কম্পিউটাৰ শিক্ষা আদিবোৰ এই পৰিয়ালবোৰৰ বিধৱা সদস্য তথা সন্তানে পাব। এই পদক্ষেপে প্ৰায় ১লাখ সেনা জোৱানৰ পৰিয়ালবৰ্গক সন্মানৰ জীৱন জীয়াবলৈ অধিকাৰ দিব।



## একতাৰ প্ৰতীক চিহ্ন ষ্টেচু অৱ ইউনিটী চাবলৈ যোৱা পৰ্যটকৰ সংখ্যা ৫০ লাখলৈ বৃদ্ধি



গুজৰাটত থকা একতাৰ প্ৰতীকচিহ্ন ষ্টেচু অৱ ইউনিটীৰ বাবে ভাল খবৰ। এই পৰ্যটনস্থলীলৈ যোৱা পৰ্যটকৰ সংখ্যা বিগত মাৰ্চ মাহৰ ১৫ তাৰিখলৈ ৫০লাখ অতিক্ৰম কৰিছে। লৌহ মানৱ চৰ্দাৰ বল্লৱভাই পেটেলৰ প্ৰতিমূৰ্তিৰ প্ৰতি পৰ্যটকৰ এই প্ৰবাহ অভূতপূৰ্ব। ঘৰুৱা পৰ্যটকৰ লগতে বিদেশৰ পৰা অহা পৰ্যটকেও ইয়াত ভিৰ কৰিছে। ২০১৮চনৰ ৩১ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা এই ঐক্যতাৰ প্ৰতীক চিহ্নৰ দিনটোক প্ৰতিবছৰে ৰাষ্ট্ৰীয় একতা দিৱস হিচাপে পালন কৰি অহা হৈছে। উল্লেখ্য যে ষ্টেচু অৱ ইউনিটীলৈ ৫০ লক্ষাধিক পৰ্যটক অহা কথাটো প্ৰধানমন্ত্ৰীয়ে টুইটযোগে ঐতিহাসিক বুলি অভিহিত কৰিছে।

## আত্মনিৰ্ভৰ ভাৰতৰ বাবে উৎসাহ, ধূপৰ আমদানি ৯৩%লৈ হ্ৰাস



ভাভাৰতৰ স্থানীয় উদ্যোগক শক্তিশালী কৰাৰ বাবে চৰকাৰে লৈ থকা পদক্ষেপে সফলতা পাবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত ধূপৰ নিৰ্মাণ উদ্যোগটোৰ কথা উল্লেখ কৰিব পাৰি। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰণালয়ে বিগত বৰ্ষৰ জুলাই মাহৰ পৰা আত্মনিৰ্ভৰ ভাৰত মিছনৰ জড়িয়তে মেক-ইন-ইণ্ডিয়াৰ প্ৰচেষ্টাৰে ধূপ নিৰ্মাণৰ উদ্যোগটোক শক্তিশালী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ অধীনত গ্ৰামাঞ্চলত মহিলাসকলৰ সবলীকৰণৰ জড়িয়তে স্থানীয় উদ্যোগবোৰক শক্তিশালী কৰা হয়। ইয়াৰ ফলত ধূপৰ আমদানি যথেষ্টখিনি হ্ৰাস পাইছে। উল্লেখ্য যে ২০১৯ৰ এপ্ৰিল মাহৰ পৰা ২০২০চনৰ জানুৱাৰীলৈ ভাৰতে ২৮৪কোটি টকাৰ ধূপ আমদানি কৰিছিল কিন্তু ২০২০চনৰ এপ্ৰিলৰ পৰা ২০২১চনৰ জানুৱাৰীলৈ ধূপ আমদানিৰ পৰিমাণ ৯৩শতাংশলৈ লাঘৱ হোৱাৰ লগতে মাথো ১৯ কোটি টকাৰহে ধূপ আমদানি কৰা হৈছে।

# ইপিএফঅ'ৰ ৬ কোটি গ্ৰাহকৰ বাবে ৮.৫% সূদৰ হাৰ বাহাল

কৰ্মচাৰী ভৱিষ্যৎ নিধি আঁচনিৰ গ্ৰাহকসকলৰ বাবে এয়া সুখবৰ যে কেন্দ্ৰ চৰকাৰে ২০২০-২১ বিত্তীয় বৰ্ষৰ বাবেও সূদৰ হাৰ একেই ৰাখিছে। এই অনুসৰি ইতিমধ্যেই থকা ৮.৫% সূদৰ হাৰ বাহাল থাকিব। পোনপ্ৰথমবাৰৰ বাবে জম্মু-কাশ্মীৰ আৰু লাডাখৰ ইপিএফঅ'ৰ গ্ৰাহকৰ বাবে সামাজিক সুৰক্ষা লাভালাভবোৰ সম্প্ৰসাৰণ কৰিছে। ৪ মাৰ্চ তাৰিখে শ্ৰীনগৰত অনুষ্ঠিত এক বৈঠকত সূদৰ হাৰ সম্পৰ্কত সিদ্ধান্ত হোৱা হয়।

# প্ৰধানমন্ত্ৰীক চেৰা সপ্তাহ গ্ল'ৱেল এনাৰ্জী আৰু এনভাৰমেণ্ট লিডাৰশ্বীপ বঁটা প্ৰদান

এয়া ভাৰতৰ বাবে গৌৰৱৰ কথা। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক চেৰা সপ্তাহ গোলকীয় শক্তি আৰু পৰিৱেশ নেতৃত্বৰ (গ্ল'ৱেল এনাৰ্জী আৰু এনভাৰমেণ্ট লিডাৰশ্বীপ) বঁটা প্ৰদান কৰা হয়। গোলকীয় শক্তি আৰু পৰিৱেশ নিয়ন্ত্ৰণৰ লগতে শক্তিখণ্ডৰ অনুকূল বিকাশৰ ক্ষেত্ৰত লোৱা উচিত সিদ্ধান্ত আদিবোৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে এই বঁটা তেখেতৰ নেতৃত্বৰ সফলতাৰ বাবে লাভ কৰিছে। ডঃ ডেনিয়েল য়েৰগিনে ১৯৮৩চনৰ পৰা চেৰাসপ্তাহ আৰম্ভ কৰিছিল আৰু ২০১৬চনৰ পৰা এই বঁটা দি থকা হৈছে। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে চেৰা সপ্তাহ, ২০২১ ত মূল ভাষণ প্ৰদান কৰে। তেখেতে কয়, "মই চেৰা সপ্তাহ গ্ল' ৱেল এনাৰ্জী আৰু এনভাৰমেণ্ট লিডাৰশ্বীপ বঁটাটো পৰম বিনম্ৰতাৰে গ্ৰহণ কৰিছোঁ। মই এই বঁটাটি আমাৰ মহান মাতৃভূমি ভাৰতৰ জনসাধাৰণলৈ উৎসৰ্গা কৰিছোঁ। মই আমাৰ ভূমিৰ গৌৰৱময় ঐতিহ্যলৈ এই বঁটাটি উৎসৰ্গা কৰিছো যিয়ে পৰিবেশৰ প্ৰতিপালনেৰে বাট দেখুৱাইছে।" তেখেতে লগতে কয় যে কেইবা শতিকা ধৰি পৰিবেশৰ প্ৰতিপালনেৰে ভাৰতীয়ই নেতৃত্বৰ ভাৰমূৰ্তি অৰ্জন কৰিছে। তেখেতে কয়, আমাৰ সংস্কৃতি, প্ৰকৃতি আৰু বৈভৱৰ সম্পৰ্ক হৈছে নিকট।



প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

# ই-দাখিলৰ জৰিয়তে গ্ৰাহকে সহজতে অভিযোগ দাখিল কৰিব পাৰিব

গ্ৰাহকৰ অভাৱ-অভিযোগ নিস্পত্তিৰ বাবে আৰম্ভ কৰা ই-দাখিল পৰ্টেল এতিয়াৰ পৰা ১৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত কাৰ্যকৰী হৈছে। নেশ্ব'নেল কনজিউমাৰ ডিছপিউট ৰিড্ৰেছেল কমিছ'ন চমুকৈ এনচিডিআৰচিয়ে (ৰাষ্ট্ৰীয় গ্ৰাহক অভিযোগ নিস্পত্তি আয়োগ) আৰম্ভ কৰা এই ই-দাখিল ব্যৱহাৰ কৰিবলৈ তেনেই সহজ আৰু সুগম। দেশত ব্যাপক হৈ থকা উমৈহতীয়া সেৱা কেন্দ্ৰৰ (ক'ম'ন ছাৰ্ভিচ চেন্টাৰ) সৈতে ই-দাখিলক সংযুক্ত কৰা হ'ব। এনচিডিআৰচি, ৰাজ্যিক আয়োগ আৰু জিলা আয়োগসমূহক সামৰি দেশৰ ৪৪৪টা ঠাইত এয়া আৰম্ভ কৰা হৈছে।

# ঘৰুৱা বিমান পৰিবহনত যাত্ৰীৰ সংখ্যা বৃদ্ধি, এটা দিনত ৩.১৩ লাখ লোকৰ যাত্ৰা

মহামাৰীৰ বাবে স্তব্ধ হৈ পৰা বিমান পৰিবহন উদ্যোগলৈ এতিয়া প্ৰাণ আহিছে। লাহে লাহে বিমান পৰিবহন কৰা যাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যোৱা ২৮ ফেব্ৰুৱাৰীৰ পৰিসংখ্যামতে ৩.১৩ লাখ ঘৰুৱা বিমান যাত্ৰীয়ে ২৩৫৩ বিমানৰ সহায়ত যাত্ৰা কৰে। কৰ'না মহামাৰীৰ বাবে দিয়া হোৱা লকডাউনৰ ফলত বন্ধ হৈ পৰা বিমান পৰিবহন উদ্যোগ ২০২০ চনৰ মে' মাহৰ ২৫ তাৰিখৰ পৰা আৰম্ভ হৈছিল। তেতিয়াৰ পৰা এতিয়ালৈ প্ৰায় ৬ লাখ যাত্ৰীয়ে বিমান পৰিবহন কৰাতো আশাব্যঞ্জক কথা। ■





# দেশৰ প্ৰথম স্বাধীনতা সংগ্ৰাম, উড়িশ্যাৰ পাইক বিদ্ৰোহ

**ভাৰতৰ পৌৰাণিক ইতিহাসত উড়িশ্যাৰ স্থান অন্যতম। পৌৰাণিক কালৰ পৰা আৰম্ভ কৰি মধ্য যুগলৈ আৰু ভাৰতত চলা ইংৰাজৰ শাসনৰ সময়তো উড়িশ্যাই ভাৰতীয় ইতিহাসত অৱদান আগবঢ়াইছে। ১ এপ্ৰিল তাৰিখে উড়িশ্যাই উৎকল দিৱসৰ ৮৬সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। পুৰীৰ জগন্নাথ মন্দিৰৰ বাবে ভাৰত বিখ্যাত উড়িশ্যাৰ আকৌ স্বাধীনতা সংগ্ৰামত অংশ লোৱা বৰ্ণিল ইতিহাস আছে। ১৮১৭ চনত ইংৰাজ প্ৰশাসকৰ বিৰুদ্ধে হোৱা পাইক বিদ্ৰোহক দেশৰ প্ৰথম স্বাধীনতা আন্দোলন বুলি অভিহিত কৰিব পৰা যায়...**

মহাৰাজা সুহেল দেৱৰ স্মাৰক উদ্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল যে উপনিৱেশ শক্তিৰ উদ্যোগত লিখা ইতিহাস বা উপনিৱেশ শাসকৰ চিন্তাধাৰাৰে গঢ় লোৱা মনস্তত্বৰ দ্বাৰা অনুপ্ৰাণিত হোৱা লোকৰ দ্বাৰা লিখা ইতিহাসত ভাৰতীয় লোকৰ প্ৰকৃত ইতিহাস বিচাৰি পোৱা নাযায়। এই কথাটো উড়িশ্যাৰ ইতিহাসৰ পাত লুটিয়াই চালে প্ৰমাণিত হোৱা দেখা যায়। ৰজা অশোকাৰ অহিংসাৰ নীতি অনুসৰণ কৰা এই উৎকল প্ৰদেশে ভাৰতৰ স্বাধীনতা আন্দোলনতো মুখ্য ভূমিকা লৈছিল। ১৮৫৭ চনৰ স্বাধীনতা আন্দোলনৰ ৪০বছৰৰ পূৰ্বে ১৮১৭ চনত উড়িশ্যা প্ৰদেশত এনে এক সংগ্ৰামৰ সূত্ৰপাত হৈছিল যিয়ে ইংৰাজ প্ৰশাসকক ব্যতিব্যস্ত কৰি তুলিছিল। কিন্তু ইতিহাস প্ৰণেতাসকলৰ অনীহাই ইমানদিনে এই অধ্যায়ক সাধাৰণ জনতাৰ পৰা অলক্ষিতে ৰাখিছিল।

পাইক বা পাইকা হৈছে গজপতি নামৰ শাসকৰ দ্বাৰা পালিত কিন্তু অসংগঠিত ৰূপত থকা কৃষকৰ বীৰ সৈন্যৰ দল। প্ৰয়োজন অনুসৰি বা যুদ্ধৰ সময়ত এই সশস্ত্ৰ কৃষক যোদ্ধাই ৰজাক সহায় কৰি আহিছিল। আনহাতে অন্য সময়ত এই সৈন্যৰ দল কৃষি কৰ্মৰ সৈতে জড়িত হৈ আহিছিল। বৃটিছ শাসকে উড়িষ্যাৰ উত্তৰ দিশত থকা বংগ প্ৰদেশ আৰু দক্ষিণ প্ৰান্তত থকা মাদ্ৰাছ অধিকাৰ কৰাৰ পাছত ১৮০৩ চনত উড়িষ্যাকো নিজৰ অধীনলৈ আনে। সেই সময়ত গজপতি ৰজা মুকুন্দ দেৱা দ্বিতীয় আৰু জয়ী ৰাজাগুৰুৱে ইংৰাজ শাসকক প্ৰতিৰোধৰ চেষ্টা কৰিছিল যদিও বিফল হয়। ইয়াৰ কেইবছৰমান পাছত পাইক সকলৰ নেতা বক্সী জগৎবন্ধুৰ নেতৃত্বত আদিবাসী সমৰ্থিতে সকলোকে একত্ৰিত কৰি বিদ্ৰোহৰ সূচনা কৰি দিয়ে। পাইক বিদ্ৰোহ ১৮১৭চনত আৰম্ভ হয় আৰু তীব্ৰ গতিত ই বিস্তাৰ লাভ কৰে। এই স্বাধীনতা আন্দোলনত কোনো এটা শ্ৰেণীৰ লোকেই যে অংশগ্ৰহণ কৰিছিল তেনে নহয়, এই আন্দোলনৰূপী বিদ্ৰোহত সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোক জড়িত হৈ আছিল। অৱশ্যে ইংৰাজ শাসকে অতি কঠোৰতাৰে এই বিদ্ৰোহ দমন কৰে। এই বিদ্ৰোহত অনেক বীৰ সেনানী চহিদ হয়। অৱশ্যে বীৰ পাইক সেনাই গেৰিলা পদ্ধতিত ১৮১৯ চনলৈ এই বিদ্ৰোহ অব্যাহত ৰাখিছিল, কিন্তু ইংৰাজ সৈন্যৰ হাতত শেষত সকলো বন্দী হয় বা মৃত্যু হোৱাৰ ফলত এই আন্দোলন স্তিমিত হৈ পৰে। ১৮২৫ চনত বীৰ বক্সী জগৎবন্ধু ইংৰাজৰ হাতত আটক হয় আৰু বন্দী অৱস্থাতেই চাৰি বছৰৰ পাছত মৃত্যু মুখত পৰে। উড়িশ্যাৰ এই স্বাধীনতা সেনানীসকলক স্মৰণ কৰিয়েই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল যে, "দেশৰ স্বাধীনতা আন্দোলনক মাথো কেইটমান পৰিয়াল আৰু কেইটামান উদাহৰণত সীমাৱদ্ধ কৰি ৰখাটো দুৰ্ভাগ্যজনক। ভাৰতীয় স্বাধীনতা আন্দোলন প্ৰকৃতাৰ্থত জন আন্দোলন আছিল আৰু এই আন্দোলনত দেশৰ প্ৰতিজন নাগৰিকৰ বলিদান আছিল"। ইতিহাসৰ এই বিসংগতি দূৰ কৰাৰ বাবেই আৰু পাইক আন্দোলনৰ ২০০ বছৰীয়া বাৰ্ষিকী উপলক্ষে কেন্দ্ৰ চৰকাৰে এই আন্দোলনৰ কথা স্কুলীয়া পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰাৰ কথা ঘোষণা কৰিছে। ■

# সমতাৰ বাবে মাত মতা বাবাচাহেব

মানৱ জাতিৰ ইতিহাসত এনে এটা যুগ নাই যি যুগত কোনো এজন ব্যক্তিয়েই নিজৰ কৰ্ম, বুদ্ধি আৰু তৰ্কৰ জড়িয়তে প্ৰচলিত কট্টৰ সমাজ ব্যৱস্থা, জাতিভেদ প্ৰথাৰ বিৰুদ্ধে মাত মাত নাই। আজি দেশে এনে এজন সমাজৰ সংস্কাৰক, সম অধিকাৰ থকা সমাজ নিৰ্মাতা বাবাচাহেব ভীমৰাও আম্বেদকাৰৰ ১৩১ সংখ্যক জয়ন্তীত স্মৰণ কৰিছে। তেওঁ যে কেৱল ভাৰতীয় সংবিধান ৰচনা কৰা আঁৰৰ মুখ্য ব্যক্তি আছিল তেনে নহয়, তেওঁ সকলোৰে বাবে সমান অধিকাৰ থকা ভাৰতীয় সমাজৰ প্ৰতিষ্ঠাতা আছিল...

বাবাচাহেব ভীমৰাও আম্বেদকাৰৰ জন্ম ১৮৯১ চনৰ ১৪ এপ্ৰিল তাৰিখে হৈছিল। তেওঁৰ জন্ম বৃটিছ শাসিত ভাৰত মধ্য ভাৰত প্ৰান্তত(এতিয়াৰ মধ্য প্ৰদেশ) থকা মহু নগৰ সৈন্য চাউনীত হৈছিল। ৰামজী মালোজী সকপাল আৰু ভীমাবাইৰ ঔৰসত ভীমৰাও আম্বেদকাৰৰ জন্ম হৈছিল। উল্লেখ্য যে জাতিগত কাৰণত আৰু দৰিদ্ৰজনিত কাৰণৰ বাবে ভীমৰাও আম্বেদকাৰৰ শিশুকালৰ জীৱন বৰ কষ্টদায়ক আছিল। সমাজিক লাঞ্চনা আৰু বঞ্চনাৰ সম্মুখীন হৈ তেওঁ শিশুকাল অতিবাহিত কৰিবলৈ বাধ্য হৈছিল।

পঢ়া-শুনাত যথেষ্ট সক্ষম হোৱাৰ পাছতো আম্বেদকাৰে জাতপাতৰ প্ৰথাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছিল। ১৯০০চনৰ ৭ নৱেম্বৰ তাৰিখে ৰামজী সকপালে পুত্ৰ ভীমৰাওক সাতাৰাৰ চৰকাৰী স্কুলত ভীৱা ৰামজী আম্বডবেকাৰ নামেৰে পঞ্জীয়ন কৰায়। শিশু কালত আম্বেদকাৰৰ নাম ভীৱা আছিল। আম্বেদকাৰৰ উপাধি সকপালৰ পৰিৱৰ্তে পিতৃয়ে আম্বডবেকাৰ ৰাখিছিল কিয়নো কংকোনী লোকসকলে নিজৰ গাঁৱৰ নামেৰে নিজৰ উপনাম ৰাখে। সেয়েহে তেওঁৰ উপনাম আম্বডবেকাৰ আছিল। কিন্তু এই ছাত্ৰ অৱস্থাতেই তেওঁৰ সাক্ষাৎ এগৰাকী ব্ৰাহ্মণ শিক্ষকৰ সৈতে হয়। কৃষ্ণ মহাদেৱ আম্বেদকাৰ নামৰ এইগৰাকী ব্ৰাহ্মণ শিক্ষকে ভীমৰাওৰ বুদ্ধি-প্ৰজ্ঞাৰ প্ৰতি আকৰ্ষিত হয় আৰু তেওঁক নিজৰ উপাধি “আম্বেদকাৰ” প্ৰদান কৰে। সেই দিনটোৰ পৰা ভীমৰাও আম্বেদকাৰ নামেৰে তেওঁ আমাৰ মাজত জনপ্ৰিয়।

**বাবাচাহেবক ১৩১ সংখ্যক জয়ন্তীত স্মৰণ কৰা হৈছে**

১৯০৭চনত আম্বেদকাৰে প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ হয় আৰু বম্বে বিশ্ববিদ্যালয়ৰ অধীনৰ এলফিনষ্টন কলেজত নামভৰ্তি কৰে। এই স্তৰত শিক্ষা লাভ কৰা তেওঁ নিজৰ সম্প্ৰদায়ৰ প্ৰথম ব্যক্তি আছিল। ইয়াৰ পাছত তেওঁ বিদেশলৈ গৈ উচ্চ শিক্ষা লাভ কৰে। ভাৰতে স্বাধীনতা পোৱাৰ আগৰ সময়ৰ কথা! ১৯৪৩চনত বাবাচাহেব ভীমৰাও আম্বেদকাৰক ভাইচৰয় কাউন্সিলৰ সদস্যপদ দিয়া হয় আৰু শ্ৰম মন্ত্ৰণালয়ৰ দায়িত্ব তেওঁৰ ওপৰত অৰ্পন কৰা হয়। তেওঁ গড়কাপ্তানী বিভাগৰ দায়িত্বতো আছিল। এই বিভাগটোত ৰাজহুৱা কামৰ ঠিকাৰ বাবে ডাঙৰ ডাঙৰ ঠিকাদাৰসকলে ভিৰ কৰি থাকিছিল। এবাৰ তেনে এজন ডাঙৰ ঠিকাদাৰে নিজৰ পুত্ৰক ভীমৰাওৰ পুত্ৰ যশোৱন্ত ৰাওৰ কাষলৈ পঠিয়াই এক লোভনীয় প্ৰস্তাৱ দিছিল। এই প্ৰস্তাৱ অনুসৰি ভীমৰাওৰ পুত্ৰই পিতৃৰ বিভাগৰ পৰা যদিহে ঠিকাৰ কামটো মঞ্জুৰ কৰাই আনিব পাৰে তেন্তে তেওঁক কামটোত অংশীদাৰ কৰা হোৱাৰ লগতে ২০-২৫শতাংশ কমিছন দিয়াৰোঁ প্ৰতিশ্ৰুতি দিছিল। এই কথাটো যশোৱন্তে পিতৃ বাবাচাহেবক কোৱাৰ সময়ত তেওঁ খঙত অগ্নিশৰ্মা হৈ পৰিছিল, আৰু কৈছিল যে “মই ইয়ালৈ সমাজৰ সবলীকৰণৰ বাবেহে আহিছোঁ, নিজ সন্তানৰ-পৰিয়ালৰ কল্যাণৰ বাবে নহয়। এইধৰণৰ প্ৰলোভনে মোক বিচলিত কৰিব নোৱাৰে।” এইগৰাকী ভীমৰাও আম্বেদকাৰকে ভাৰতে স্বাধীনতা পোৱাৰ পাছত দেশৰ প্ৰথমগৰাকী আইনমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছিল। ১৯৪৭চনৰ ২৯ আগষ্ট তাৰিখে তেওঁ সংবিধান খচৰা সমিতিৰ অধ্যক্ষ নিযুক্ত কৰা হয়। তেওঁ সমঅধিকাৰৰ বিশ্বাসী আছিল আৰু কাশ্মীৰৰ বাবে প্ৰদান কৰা বিশেষ সুবিধাৰ ৩৭০ অনুচ্ছেদৰ বিৰোধ কৰিছিল। মুধুমেহ ৰোগত আক্ৰান্ত আম্বেদকাৰৰ ১৯৫৬ চনৰ ৬ডিচেম্বৰ তাৰিখে মৃত্যু হৈছিল। ১৯৯০ চনত তেওঁক মৰোণোত্তৰভাৱে ভাৰত ৰত্ন প্ৰদান কৰা হৈছিল। ■





# স্বাধীনতাৰ ৭৫টা বছৰ, শতবৰ্ষৰ সংকল্প

## ॥ 'উত্সবেন বিনা যস্মাত্ স্থাপনম্ নিষ্ফলম্ ভবেত্' ॥

অৰ্থাৎ কোনো এটা সংকল্প, কোনো এক প্ৰয়াস উৎসৱ অবিহনে পৰিপূৰ্ণতা লাভ নকৰে। এটা সংকল্প যেতিয়া উৎসৱলৈ পৰিণত হয় তেতিয়া সেই সংকল্পৰ সৈতে লাখ-কোটিৰো অধিক সংকল্প সংযুক্ত হৈ পৰে। এই ভাৱনাৰেই ১৩৭ কোটি দেশবাসীৰ উছাহক লগত লৈ দেশৰ ৭৫সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ বাবে প্ৰস্তুতি আৰম্ভ হৈছে। “আজাদী কা অমৃত মহোৎসৱ”ৰ আৰম্ভনি ১২ মাৰ্চ তাৰিখে দাণ্ডি যাত্ৰাৰ ৯১ সংখ্যক জয়ন্তী পালনেৰে শুভাৰম্ভণি কৰা হয়।

স্বাধীনতাৰ অমৃত মহোৎসৱ- এই নামটোৰেই ইয়াৰ অৰ্থ বহন কৰিছে। স্বাধীনতা সেনানীৰ প্ৰেৰণাৰ অমৃত, নতুন বিচাৰ-সংকল্পৰ অমৃত, আত্মনিৰ্ভৰতাৰ অমৃত। এই চিন্তাধাৰাক সৰোগত কৰিয়েই দেশে ৭৫সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ দিশত আগবাঢ়িছে আৰু একে সময়তেই ২০৪৭চনৰ শতবৰ্ষৰ বাবেও আত্মনিৰ্ভৰশীলতাৰ সংকল্প নিৰ্ধাৰণ কৰিছে। ইয়াৰ আৰম্ভণি ১২ মাৰ্চ তাৰিখে দাণ্ডি যাত্ৰাৰ ৯১ সংখ্যক বাৰ্ষিকীৰ লগত সংগতি ৰাখি গুজৰাটৰ সাৰৱমতী আশ্ৰমৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভণি কৰে। স্বাধীনতাৰ অমৃত মহোৎসৱ একে সময়তেই সমগ্ৰ দেশতো বিভিন্ন কাৰ্যসূচীৰে আৰম্ভ কৰা হয়।



## অমৃত মহোৎসৱৰ পাঁচটা স্তম্ভ




"এই অনুষ্ঠানে আমাক দেশে বিগত ৭৫ বছৰত লাভ কৰা সফলতাবোৰ দেখুৱাবলৈ তথা আগন্তুক ২৫বছৰৰ বাবে এখন ৰূপৰেখা প্ৰস্তুত কৰিব। কিয়নো ২০৪৭ চনত স্বাধীনতাৰ শতবৰ্ষৰ সময়ত আমাৰ দেশে বিশ্বত কি স্থান দখল কৰি থাকিব, ভাৰতক আমি কি স্থানলৈ উন্নীত কৰিব পাৰোঁ আদি কথাবোৰ আলোচিত হ'ব। দেশৰ স্বাধীনতাৰ ৭৫ বছৰীয়া পৰিক্ৰমাই আমাক অনুপ্ৰাণিত কৰিছে। স্বাধীনতাৰ এই ৭৫ বছৰৰ উদযাপনৰ অনুষ্ঠানে এখন মঞ্চ তৈয়াৰ কৰিব আৰু এই মঞ্চই আমাক সকলোকে ভৱিষ্যতৰ দিশত শক্তিশালী ৰূপত আগবাঢ়ি যাবলৈ প্ৰেৰণা দিব।"

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

## অমৃত মহোৎসৱৰ অধীনৰ কাৰ্যক্ৰমণিকা

- অমৃত মহোৎসৱৰ ক্ষেত্ৰত নিৰ্ধাৰিত হোৱা কাৰ্যসূচীবোৰৰ শুভাৰম্ভণি কৰা হ'ব। এইবোৰৰ ভিতৰত চিনেমা, ৰেবচাইট, গান, আত্ম-নিৰ্ভৰ চক্ৰ তথা আত্মনিৰ্ভৰ ইনকিউবেটৰ আছে।
- এইবোৰৰ উপৰি দেশপ্ৰেম নিদৰ্শন সম্বলিত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব, এই অনুষ্ঠানবোৰৰ ভিতৰত সংগীত, নৃত্য, প্ৰবচন আৰু প্ৰস্তাৱনাৰ পঠন (দেশৰ সকলো অঞ্চল সামৰি বিভিন্ন আঞ্চলিক ভাষাত) আছে। যুৱ শক্তিৰ প্ৰতিফলনত গায়কসমূহত ৭৫ গৰাকী শিল্পী আৰু ৭৫ গৰাকী নৃত্যশিল্পী আছে।

এই মুহূৰ্তত প্ৰধানমন্ত্ৰীয়ে দেশবাসীক সম্বোধন কৰি কয় যে ৭৫বছৰত স্বতন্ত্ৰতা সংগ্ৰাম, ৭৫ বছৰৰ উপলব্ধিবোৰ, সফলতাবোৰ, ৭৫বছৰৰ চিন্তা, নতুন সংকল্পই ভাৰতক আগুৱাই যোৱাৰ দিশত সহায় কৰিব। বিগত ছয় বছৰত চৰকাৰে দেশৰ বিভিন্ন প্ৰান্তৰ অবন্দিত নায়কসকলৰ চৰ্চা অব্যাহত ৰাখিছে, ইয়ে দেশৰ যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কলা, সংস্কৃতি, সাহিত্য, চিনেমা, ডিজিটেল মনোৰঞ্জনৰ সৈতে জড়িত হৈ থকা লোকসকলক উদ্দেশ্যি এয়া আহ্বান জনাই কয় যে দেশৰ চাৰিওদিশত সিঁচৰতি হৈ থকা অদ্বিতীয় কাহিনীবোৰ বিচাৰি আনি প্ৰাণৰ সঞ্চাৰ কৰক। এই কাৰ্যই দেশৰ স্বাধীনতাৰ ৭৫ বছৰীয়া ক্ষণক শক্তিশালী কৰিব।

**২৫৯ জন সদস্য থকা কমিটীয়ে নিৰ্মাণ কৰিছে ৰূপৰেখা**

কেন্দ্ৰ চৰকাৰে ভাৰতৰ স্বাধীনতাৰ ৭৫ সংখ্যক উদযাপনক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এইদৰে লৈ যাব বিচাৰিছে যে এই অমৃত মহোৎসৱে ভাৰতীয় স্বাধীনতা সেনানীৰ ত্যাগ, স্বাধীনতা সংগ্ৰামৰ ভাৱনা, শ্বহীদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তথা আত্মনিৰ্ভৰশীল ভাৰত নিৰ্মাণৰ প্ৰতিজ্ঞা নীহিত হৈ থাকে। এই ৰূপৰেখা প্ৰস্তুতিৰ বাবে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ২৫৯ জনীয়া এখন কমিটী গঠন কৰা হৈছে। এই সমিতিত প্ৰাক্তন ৰাষ্ট্ৰপতি, সমাজৰ বিভিন্ন ক্ষেত্ৰৰ গণ্যমান্য ব্যক্তি আৰু নাগৰিক জড়িত হৈ আছে। ইয়াৰ ওপৰি, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ নেতৃত্বত বিভিন্ন মন্ত্ৰণালয়ৰ সচিবসকলে এখন কাৰ্যকৰী কমিটীৰ ৰূপত কাম কৰি আছে।

# অমৃত মহোৎসৱ উপলক্ষে চিত্ৰ প্ৰদৰ্শনী








- সমগ্ৰ দেশৰ ৩১টা স্থানত ব্যুৰ' অৱ আউটৰীছ এণ্ড ক'মিউনিকেশ্বনৰ উদ্যোগত চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। দিল্লীৰ ৰাষ্ট্ৰীয় মিডিয়া কেন্দ্ৰত ১৩ মাৰ্চ তাৰিখে তথ্য আৰু প্ৰচাৰ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জাভড়েকাৰে এনে এক চিত্ৰ প্ৰদৰ্শনীৰ উদ্বোধন কৰে।
- কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইয়াৰ লগতে জম্মু-কাশ্মীৰৰ সাংবা, কৰ্ণাটকৰ বাংগালুৰু, মহাৰাষ্ট্ৰৰ পুণে, উড়িশ্যাৰ ভুৱনেশ্বৰ, মণিপুৰৰ মৈৰাঙ জিলাৰ বিষ্ণুপুৰ আৰু বিহাৰৰ পাটনাত অনুষ্ঠিত হোৱা চিত্ৰ প্ৰদৰ্শনী ভাৰ্চুৱেল মাধ্যমত উদ্বোধন কৰে।
- এই চিত্ৰ প্ৰদৰ্শনীবোৰে স্বাধীনতা সেনানীক শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে।
- এই প্ৰদৰ্শনীবোৰৰ ডিজিটেল সংস্কৰণৰ ওপৰত কাম চলি আছে আৰু ২০২২ চনৰ ১৫ আগষ্টৰ পূৰ্বে এয়া ৰাজহুৱা কৰা হ'ব।

**"দেশবাসীৰ সন্মুখত এয়া মহত্বপূৰ্ণ কিয়নো দেশৰ স্বাধীনতাৰ ৭৫ বছৰত আমি কিমানখিনি আগুৱাই আহিছোঁ আৰু আগন্তুক ২৫ বছৰত আমি কোনবোৰ লক্ষ্য প্ৰাপ্তিৰ বাবে কাম কৰিম। প্ৰদৰ্শনীবোৰে এই কথাটোকেই প্ৰতিফলিত কৰিছে। যথেষ্ট ত্যাগ আৰু আত্মবলিদানৰ পাছত দেশে স্বাধীনতা লাভ কৰিছিল, এই প্ৰদৰ্শনীয়ে সেই কাহিনীবোৰ বৰ্ণনা কৰিছে।"**

**প্ৰকাশ জাভড়েকাৰ**

## এই মহোৎসৱ কিদৰে উদযাপন কৰা হ'ব

স্বাধীনতাৰ ৭৫ বছৰীয়া মহোৎসৱ পালনৰ বাবে গঠিত ৰাষ্ট্ৰীয় কমিটীৰ বৈঠকত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে, এই মহোৎসৱে দেশৰ সনাতনী সভ্যতাৰ ছবি দেখুওৱাৰ লগতে আধুনিক ভাৰতৰ প্ৰতিচ্ছৱি প্ৰতিফলিত কৰিব লাগিব। এই মহোৎসৱে লগতে দেশৰ ৭৫ বছৰীয়া সফলতা আৰু আগন্তুক ২৫ বছৰৰ বাবে ব্লুপ্ৰিন্ট প্ৰস্তুত কৰিব। চৰকাৰে আয়োজন কৰা এই এলানি অনুষ্ঠান জনতাৰ অংশগ্ৰহণত প্ৰাণ পাব। ইণ্ডিয়া@৭৫ শীৰ্ষক অনুষ্ঠানৰ অধীনত অন্য কেতবোৰ সাংস্কৃতিক আৰু ডিজিটেল অনুষ্ঠানো উদ্বোধন কৰা হৈছে। এই অনুষ্ঠান ২০২২ চনৰ ১৫আগষ্টৰ ৭৫ সপ্তাহ পূৰ্বৰ পৰা আৰম্ভ হৈ ২০২৩ চনৰ ১৫ আগষ্টলৈ চলিব। এই উপলক্ষে **india75@nic.in** নামৰ এটা ৱেবচাইটো মুকলি কৰা হৈছে। এই ৱেবচাইটত সম্পূৰ্ণ কাৰ্যসূচীৰ বিৱৰণ দিয়া হৈছে। ■



# ২০৩০ চনৰ ভিতৰত সাগৰীয় উদ্যোগৰ ক্ষেত্ৰখনত বিশ্বমানৰ হোৱাৰ দিশত ভাৰত

**২০১৪চনৰ পাছৰ পৰা দেশৰ বন্দৰবোৰৰ বহনক্ষমতা বাৰ্ষিক দুগুণ বৃদ্ধি পাইছে। ইয়াৰ পৰিপ্ৰেক্ষিটত ভাৰতে সামুদ্ৰিক উদ্যোগখণ্ডত বিকাশৰ দিশটোত অধিক গুৰুত্ব আৰোঁপ কৰিছে আৰু বিশ্বৰ অন্যতম সুনীল অৰ্থনীতি (ব্লু ইক'ন'মী) হোৱাৰ দিশত আগবাঢ়িব ধৰিছে। ২ৰ পৰা ৪ মাৰ্চলৈ অনুষ্ঠিত হোৱা "মেৰিটাইম ইণ্ডিয়া সন্মিলন ২০২১"য়ে সাগৰীয় উদ্যোগটোৰ বিকাশৰ লক্ষ্যৰে আগন্তক দশকটোৰ বাবে কাৰ্যপন্থা হাতত লৈছে...**

"ভাৰত চৰকাৰে সমুদ্ৰৰ সৈতে জড়িত হৈ থকা উদ্যোগ খণ্ডৰ বিকাশ আৰু উন্নয়নক লৈ যথেষ্ট গুৰুত্ব আৰোঁপ কৰিছে। নীল অৰ্থনীতিৰ দিশত ভাৰতে মুখ্য ভূমিকা ল'ব। মই সেয়েহে বিশ্বৰ সকলোকে এই উদ্যোগটোত অংশ লৈ ভাৰতৰ উন্নয়নৰ অংশ হ'বলৈ আহ্বান জনাইছোঁ..." মেৰিটাইম ইণ্ডিয়া সন্মিলন ২০২১ উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত এই কথা কয়। তেওঁ মূলত ভাৰতে শেহতীয়াকৈ সাগৰীয় উদ্যোগটোৰ সৈতে জড়িত হৈ থকা বন্দৰসমূহৰ আন্তঃগাঁথনিৰ উন্নয়ন কৰি আত্মনিৰ্ভৰশীল ভাৰতৰ ভেটি মজবুত কৰাৰ দৃষ্টিকোণ ব্যক্ত কৰিছে। ভাৰতে এই বাবেই "মেৰিটাইম ভিজন -২০৩০" (সমুদ্ৰৰ সৈতে জড়িত হৈ থকা উদ্যোগসমূহৰ বিকাশৰ দীৰ্ঘকালীন আঁচনি) প্ৰস্তুত কৰিছে। এই সন্মিলনত কেইবাখনো দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি ভাৰতৰ সৈতে ব্যৱসায়িক সম্পৰ্ক কিদৰে শক্তিশালী কৰিব পাৰি তাৰ ওপৰত আলোচনা কৰে। এই তিনিদিনীয়া সন্মিলনীত ডেনমাৰ্কে অংশীদাৰী দেশ হিচাপে অংশগ্ৰহণ কৰে। ৭৫০০কিঃমিঃ দৈৰ্ঘ্যৰ সাগৰীয় এলেকাত থকা বন্দৰসমূহৰ আন্তঃগাঁথনি উন্নয়ন কৰাতোৱেই ভাৰতৰ লক্ষ্য। এই সম্পৰ্কত ভাৰতে ৫৪৭টা প্ৰকল্প সাগৰমালা আঁচনিৰ অধীনত চিহ্নিত কৰিছে আৰু প্ৰায় ৬ লাখ কোটি টকাৰ ব্যয়সাপেক্ষে ২০৩৫ চনৰ ভিতৰত এইসমূহ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য বান্ধি লৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে এয়াও কয় যে এই মেৰিটাইম ইণ্ডিয়া ভিজন ২০৩০ৰ লক্ষ্যসমূহ সম্পূৰ্ণ কৰাতো এই খণ্ডত চৰকাৰে মুখ্য প্ৰাথমিকতা হিচাপে নিৰ্ধাৰণ কৰিছে। আভ্যন্তৰীণ জলপথসমূহ মালবস্তুৰ পৰিবহনৰ বাবে উপযুক্ত মাধ্যম। এইবাবে ২০৩০চনৰ ভিতৰত দেশৰ ২৩টা জলপৰিবহনৰ পথ কাৰ্যক্ষম কৰাৰ বাবে প্ৰস্তুতি চলাইছে। ■

## মেৰিটাইম ইণ্ডিয়া ভিজন ২০৩০ৰ লক্ষ্যসমূহঃ

- ৩ লাখ কোটিৰ পৰা ৩.৫ লাখ কোটি টকাৰ বিনিয়োগ।
- ২০ লাখৰো অধিক নিয়োগ সৃষ্টি।
- বাৰ্ষিক ২০ হাজাৰ কোটি টকাৰ ৰাজহ সংগ্ৰহ।
- ১.২৫ লাখ কোটি ব্যয়সাপেক্ষে বন্দৰবোৰৰ বহনক্ষমতা আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ ওপৰত গুৰুত্ব।
- উড়িশ্যা-পশ্চিবংগৰ লগতে মহাৰাষ্ট্ৰ, গুজৰাটত ৮০ হাজাৰ কোটি টকাৰ বিনিয়োগেৰে বৃহৎ ক্ষমতাৰ বন্দৰৰ আন্তঃগাঁথনিৰ উন্নয়ন।
- ভিজিঁজম বন্দৰৰ কাৰ্যক্ষমতা আৰু ট্ৰান্সশ্বিপমেন্ট খণ্ডৰ বিকাশে ২০৩০ চনৰ ভিতৰত ভাৰতীয় কাৰ্গোৰ স্থানান্তৰকৰণ (ট্ৰান্সশ্বিপমেন্ট-এটা বন্দৰৰ পৰা আনটো বন্দৰলৈ মালবস্তু স্থানান্তৰ কৰা) প্ৰক্ৰিয়াৰ বহনক্ষমতা ২৫%ৰ পৰা বৃদ্ধি হৈ ৭৫% পাব।
- ২০৩০ চনৰ ভিতৰত নবীকৰণ শক্তিৰ ব্যৱহাৰ বৰ্তমানৰ ১০%ৰ পৰা ৬০%লৈ বৃদ্ধি কৰা আৰু ২০২২ চনৰ ভিতৰত বন্দৰসমূহত দুৰ্ঘটনা নাইকীয়া কৰাৰ লক্ষ্য।
- ২০৩০ চনৰ ভিতৰত বিশ্বৰ অন্যতম জাহাজ নিৰ্মাণকাৰী দেশ হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ লগতে সাগৰীয় খণ্ডৰ উদ্যোগৰ সৈতে জড়িত হৈ থকাসকলৰ সুবিধাৰ্থে মেৰিটাইম (সাগৰীয়) উন্নয়ন নিধি স্থাপন কৰা।
- এই খণ্ডত ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ লগতে মালবস্তুৰ নিয়ন্ত্ৰণ ক্ষমতা ২০২০ বৰ্ষৰ ৫১%ৰ পৰা বৃদ্ধি কৰি ২০৩০ বৰ্ষলৈ ৮৫% কৰা, ইয়াৰ লগতে ফেৰী সেৱা আৰু ৰো-ৰো টাৰ্মিনেল খণ্ডত ব্যক্তিগত বিনিয়োগক উৎসাহিত কৰা।



# ৰাষ্ট্ৰ নিৰ্মাণৰ নতুন আৰম্ভণি






















কৰ'না মহামাৰীয়ে যি সময়ত দেশৰ অৰ্থব্যৱস্থা তথা সাধাৰণ জনতাৰ জীৱনধাৰাক প্ৰভাৱিত কৰিছে তেনে সময়ত প্ৰধানমন্ত্ৰীয়ে কেৱল দেশক আত্মনিৰ্ভৰশীলতাৰ বাবে সন্মুখৰ পৰা নেতৃত্ব দিয়াই নহয়, সাধাৰণ বাজেটত কৰা প্ৰস্তাৱনাৰে দেশক এক নতুন আৰম্ভণি দিছে। এয়া প্ৰধানমন্ত্ৰীৰ চিন্তা আৰু উদ্যোগ যে ৭০বছৰীয়া সংসদীয় পৰিক্ৰমাত প্ৰথমবাৰৰ বাবে এনে হৈছে যে দেশৰ প্ৰধানমন্ত্ৰীয়ে বাজেটত উত্থাপন কৰা প্ৰতিশ্ৰুতিবোৰ কাৰ্যকৰী কৰাৰ বাবেই নিজেই বিভিন্ন উদ্যোগ-খণ্ডৰ সৈতে জড়িত থকা বিশেষজ্ঞৰ সৈতে আলোচনাত মিলিত হৈছে। আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ বাবে লোৱা হোৱা সংকল্পক সাৰ্থক কৰাৰ বাবে তেওঁৰ দায়বদ্ধতা প্ৰকাশ পাইছে...

**“দেশৰ প্ৰতিটো ব্যৱসায়িক প্ৰতিষ্ঠান আৰু উদ্যোগক সমৰ্থন দিয়াটো চৰকাৰৰ দায়িত্ব। চৰকাৰ নিজেই ব্যৱসায়বোৰৰ মালিক হৈ থকা কথাটো এতিয়াৰ যুগত সম্ভৱ নহয়। এই কাৰণটোৰ বাবেই মই কওঁ, কোনো এটা ব্যৱসায়ত থকাটো চৰকাৰৰ ব্যৱসায় নহয়, চৰকাৰে ব্যৱসায় কৰিলে বিভিন্ন ধৰণে লোকচানৰহে সম্মুখীন হয়। এই বাবে চৰকাৰৰ গুৰুত্ব কেৱল জনতাৰ কল্যাণ আৰু আন্তঃগাঁথনিৰ উন্নয়ন হ'ব লাগে।”**

## বাজেট ৰূপায়নৰ বাবে চৰকাৰ আৰু উদ্যোগৰ মাজত নতুন বিশ্বাস

দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে বিনিয়োগকাৰীৰ সৈতে হোৱা বাৰ্তালাপাত এই মতামত ব্যক্ত কৰি দেশৰ উন্নয়নৰ পৰিকল্পনা উপস্থাপন কৰে আৰু লগতে নিজৰ ভিজন সকলোৰে সম্মুখত ৰাখে। তেওঁৰ কথাৰ পৰা এয়া স্পষ্ট যে বাজেটত নিৰ্ধাৰণ কৰা লক্ষ্যবোৰৰ কাৰ্যকৰীকৰণৰ বাবে আৰু প্ৰতিটো লক্ষ্যৰ সময়োচিত প্ৰাপ্তিৰ বাবে এতিয়া ব্যক্তিগত খণ্ড বিশ্বাসযোগ্য অংশীদাৰ হ'ব। বাজেট কাৰ্যকৰী কৰাৰ বাবে চৰকাৰৰ এয়াই মন্ত্ৰ। এটা সময় আছিল যে দেশত বাজট প্ৰতিবাৰেই এক আনুষ্ঠানিকতাৰ বাবেহে উত্থাপন কৰা হয় আৰু প্ৰতিবাৰেই বাজেটত উত্থাপিত প্ৰস্তাৱ-প্ৰতিশ্ৰুতিবোৰ পাহৰি যোৱা হয়। কিন্তু এতিয়া বাজেট কেৱল আঁচনি ৰূপায়ন আৰু বেতন দিয়াৰ এক পৰ্ব নহয়, বৰঞ্চ কৰ'না কালৰ পাছত এয়া হৈ পৰিছে দেশৰ সম্ভাৱনীয়তাক আৰু প্ৰয়োজনীয়তাক প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰাৰ প্ৰতিজ্ঞা।

এইবাৰ সংসদত উত্থাপিত বাজেট অনন্য আছিল কিয়নো এই বাজেটে দেশৰ স্বাধীনতাৰ শতবৰ্ষৰ (২০৪৭) ভিজন দস্তাবেজ হিচাপে আত্মপ্ৰকাশ কৰিছে আৰু এই প্ৰক্ৰিয়াত দেশৰ প্ৰতিজন নাগৰিকেই অংশীদাৰ হৈ পৰিব। গতিকে এই গুৰুত্বপূৰ্ণ বাজেটৰ প্ৰস্তাৱনাবোৰ কাৰ্যকৰী কৰাৰ প্ৰচেষ্টাত প্ৰধানমন্ত্ৰী নিজেই উঠিপৰি লাগিছে আৰু ইয়াৰ অংশস্বৰূপে প্ৰতিটো খণ্ডৰ অংশীদাৰৰ সৈতে বৈঠকত মিলিত হৈছে। প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যেই প্ৰতিটো খণ্ডৰ বিশেষজ্ঞ, প্ৰতিনিধি, পৰামৰ্শদাতা তথা প্ৰতিষ্ঠানৰ সৈতে বাৰ্তালাপ কৰিছে। এলানি ৱেবিনাৰৰ মাধ্যমত তেওঁ ৯টা খণ্ডৰ লোকৰ সৈতে কথা পাতিছে। এনে কৰাৰ লক্ষ্য এয়াই যে প্ৰতিটো খণ্ডত বাজেটৰ প্ৰস্তাৱনাবোৰৰ সফল ৰূপায়নৰ বাবে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ কিদৰে কৰিব পৰা যায় তাৰ বাবে কাৰ্যপন্থা প্ৰস্তুত কৰা।


**০.৪%**

**কৰ'না কালৰ তৃতীয় ত্ৰিমাসিকৰ সময়ত জিডিপিৰ হাৰ**

**অৰ্থনৈতিক সমীক্ষাৰ মতে**

**১১%**

**হৈছে ২০২১-২২বিত্তীয় বৰ্ষৰ বাবে দেশৰ আনুমানিক জিডিপিৰ বিকাশ**





**প্ৰধানমন্ত্ৰীয়ে কয় যে, "ভাৰতে কৰ'না কালৰ সময়তে পাঁচখনকৈ ক্ষুদ্ৰ বাজেট লৈ আনিছিল, এইখন বাজেটো অন্তিম বাজেট নহয়।"**

কৰ'নাৰ সময়ত ভাৰতৰ স্থান বিশ্বৰ দেশবোৰৰ ভিতৰত উন্নত হৈছে। এয়া বিশেষত সময়োচিত কাৰ্যব্যৱস্থা, নিৰ্ধাৰিত সময়ত চিকিৎসালয় নিৰ্মাণ, ভেন্টিলেটৰ নিৰ্মাণ, এন-৯৫ মাস্ক নিৰ্মাণ, পিপিই কিটৰ নিৰ্মাণ আৰু সৰ্বশেষত সময়মতে ভেকচিন উদ্ভাৱন কৰি বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এইবোৰ কাৰ্যপন্থাই ব্যক্তিগত খণ্ডৰ উদ্যোগী সকলক যথেষ্ট উৎসাহিত কৰি তুলিছে আৰু কৰ'নাৰ সময়ত তেওঁলোকৰ অংশীদাৰিত্বই ভাৰতক বিশ্বৰ ভিতৰত অন্য এক স্থান দিবলৈ সক্ষম হৈছে। এতিয়া ব্যক্তিগত খণ্ডৰ এই উছাহক কিদৰে অন্যান্য খণ্ডলৈ লৈ গৈ ভাৰতৰ মান উন্নত কৰিব পাৰি তাৰ ওপৰত চিন্তা-চৰ্চা চলিব ধৰিছে।

### ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ মাজত সাঁকো হৈ পৰিছে চৰকাৰ

স্বাধীনতাৰ পাছত দেশৰ অৰ্থনীতিয়ে বিকাশৰ গতি যে লৈছে এই কথাটোত কোনো ধৰণৰ দ্বিমত নাই কিন্তু ইয়াৰ ভেটিবোৰৰ মাজত উচিত সমন্বয় আৰু সংযোগ স্থাপন হ'ব নোৱাৰিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এতিয়া এইবোৰৰ মাজত সমন্বয় আৰু সংযোগৰ বাবে প্ৰতিজ্ঞাৱদ্ধ কিয়নো ইয়াৰ জড়িয়তে তেওঁ সকলোৰে সৈতে সকলোৰে বিকাশ সম্ভৱ কৰি তুলিব বিচাৰিছে। ব্যক্তিগত খণ্ড আৰু সম্পদ সৃষ্টিকৰ্তাৰ ক্ষেত্ৰত সংশয় ব্যক্ত কৰাসকলে এই কথাটো জনা উচিত যে কোম্পানী আইনত সংশোধন, শ্ৰম আইনক অপৰাধীকৰণৰ পৰা মুক্ত কৰা (ডিক্ৰিমিনাইলেজশ্বন), ব্যৱসায়ৰ সুগমতা (ইজ-অৱ-ডুয়িং বিজনেছ) আদি পদক্ষেপবোৰে চৰকাৰ স্থিতি স্পষ্ট কৰিছে। প্ৰথমবাৰৰ বাবে দেশৰ শীৰ্ষ নেতৃত্ব বাজেট কাৰ্যকৰী কৰাৰ বাবে হাতে-কামে লাগি পৰিছে যাতে বাজেট কেৱল এক অনানুষ্ঠানিক অনুষ্ঠানলৈ পৰিৱৰ্তিত হৈ নাথাকক। নেতৃত্বৰ এই পদক্ষেপে ব্যক্তিগত উদ্যোগীসকলৰ মনস্তত্ব সলনি কৰিছে।

পূৰ্বতে কৰ দিয়া নাগৰিক তথা উদ্যোগীসকলে বাজেটত কৰ্পৰেট টেক্স, কাষ্টম ডিউটী আৰু কৰৰ ক্ষেত্ৰত কি পৰিৱৰ্তন অনা হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখিছিল। কিন্তু চৰকাৰে এতিয়া এই ক্ষেত্ৰত দৃষ্টিকোণেই সলনি কৰি দিছে। এতিয়া উৎপাদন প্ৰতিষ্ঠানবোৰে ভালদৰে কাম কৰক আৰু উৎপাদিত সামগ্ৰীবোৰে গুণগত মান উন্নত কৰি বিশ্বৰ বজাৰত ভাৰতৰ মান উন্নত কৰক তাৰ বাবে চৰকাৰে তেওঁলোকক সহায় কৰিব, এই চিন্তাধাৰা আগত ৰাখিয়েই **প্ৰডাকশ্বন লিংকড ইনচেনটিভ মানে উৎপাদনৰ সৈতে জড়িত হৈ থকা উদ্দীপক** চমুকৈ পিএলআইৰ আৰম্ভণি কৰা হৈছে। কেন্দ্ৰ চৰকাৰে ইতিমধ্যেই এক ডজনৰো অধিক খণ্ডত পিএলআই ঘোষণা কৰিছে। এই উৎপাদনৰ সৈতে জড়িত হৈ থকা উদ্দীপক শীৰ্ষক ব্যৱস্থা উদ্যোগখণ্ডৰ সৈতে জড়িত হৈ থকা সকলোকে যথেষ্ট উৎসাহিত কৰিছে আৰু এই কাৰণটোৰ বাবে কৰ'না কালৰ সময়তো দেশৰ উদ্যোগ খণ্ডত সৰ্বাধিক বিদেশী বিনিয়োগকাৰীয়ে বিনিয়োগ কৰিছে। কৰ'নাৰ সময়ত জাগ্ৰত হৈ পৰা দেশীয় উদ্যোগী, উদ্যোগ বিশেষত ক্ষুদ্ৰ, মজলীয়া আৰু লঘু খণ্ডৰ(এমএছএমই) উদ্যোগসমূহেও চৰকাৰৰ পৰা সহায় সহযোগিতা পাইছে। উদ্যোগ খণ্ডলৈ অহা এই মনস্তত্বৰ পৰিৱৰ্তনেই দেশত উৎপাদন বৃদ্ধি কৰিছে আৰু কৰ'নাৰ সময়ত অট'ম'বাইল খণ্ডত দেখা দিয়া লোকচানে এতিয়া লাভৰ মুখ দেখিবলৈ সক্ষম হৈছে। মহামাৰীৰ সময়ত চৰকাৰে গ্ৰহণ কৰা নীতিবোৰে এতিয়া ব্যৱসায়ৰ ছবি সলনি কৰিছে। ভাৰতীয় অট'ম'বাইল উৎপাদন সংস্থাই প্ৰকাশ কৰা তথ্য মতে বিগত বৰ্ষৰ তুলনাত এইবাৰ যাত্ৰীবাহী গাড়ীৰ বিক্ৰী ১৮% বৃদ্ধি পাইছে। চৰকাৰৰ পদক্ষেপবোৰৰ বাবে এতিয়া দেশৰ অৰ্থনীতি উৰ্ধগামী হ'বলৈ আৰম্ভ কৰিছে। অৰ্থনৈতিক সহযোগ আৰু বিকাশ সংস্থাই (অ'ইচিডি) আশা কৰা মতে ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতৰ জিডিপি বিকাশৰ হাৰ ১২.৬%লৈ বৃদ্ধি পাব।

# পিএলআইঃ অন্য এক উত্তৰণৰ দিশত



*সাধাৰণ বাজেট আৰু নতুন নীতিৰ উৎকৰ্ষ সাধন কেৱল চৰকাৰী প্ৰক্ৰিয়াই নহয়, এই প্ৰক্ৰিয়াত প্ৰকৃতাৰ্থত সকলোৰে অংশগ্ৰহণ বাঞ্ছনীয়। উন্নয়নৰ প্ৰক্ৰিয়াত সকলো অংশীদাৰ হোৱা উচিত। এই কাৰণটোৰ বাবেই চৰকাৰী হস্তক্ষেপ কম কৰি নিজৰ স্বাক্ষৰৰ জৰিয়তে ছেল্ফ এটেষ্টেচন, ছেল্ফ চাৰ্টিফিকেশ্বন, ছেল্ফ ৰেগুলেশ্বনৰ নিয়ম প্ৰৱৰ্তন কৰা হৈছে। এই একেই উদ্দেশ্য আগত ৰাখিয়েই পিএলআইৰ আৰম্ভণি কৰা হৈছে।*

## ১৩টা খণ্ডৰ বাবে আগন্তুক পাঁচ বছৰত ১.৯৭ লাখ কোটি টকা ধাৰ্য কৰা হৈছে

- পূৰ্বতে উদ্যোগিক উদ্দীপক কেৱল ইনপুট আধাৰৰ সহায়তহে হৈছিল। কিন্তু এতিয়া ১৩খণ্ডৰ বিকাশৰ বাবে চৰকাৰে লোৱা বিশেষ ব্যৱস্থা তথা প্ৰতিযোগিতামূলক পৰিৱেশে এক ধনাত্মক পৰিৱেশ আনিছে।
- খাদ্য সংশাধন, বস্ত্ৰ উদ্যোগ, কৃষিখণ্ড, তথ্য-প্ৰযুক্তি, অট' আৰু ফাৰ্মাখণ্ড, অট' পাৰ্টচৰ ক্ষেত্ৰত বিদেশৰ ওপৰত নিৰ্ভৰশীলতা, চিকিৎসা সম্বন্ধীয় সৰঞ্জাম আৰু ঔষধ নিৰ্মাণৰ কেচা সামগ্ৰীৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব।
- শক্তি খণ্ডৰ আধুনীকৰণৰ বাবে শ্ৰমিক আৰু কৌশল বৃদ্ধিয়ে খণ্ডটোৰ বিকাশৰ বাবে বিশেষ সহায় কৰিব। উৎপাদনৰ গড় হিচাপত মুঠ উৎপাদনৰ ওপৰত ৫ শতাংশ উদ্দীপক দিয়াৰ ফলত আগন্তুক পাঁচ বছৰত ৫২০ বিলিয়ন ডলাৰৰ উৎপাদন হোৱাৰ সম্ভাৱনা আছে।
- পিএলআই প্ৰৱৰ্তন কৰা হোৱা ১৩ টা খণ্ডত নিয়োগ হৈ থকা লোকৰ সংখ্যা পূৰ্বতকৈ অধিক বৃদ্ধি পাব। এই কাৰ্যই নিয়োগ সৃষ্টি কৰাৰ লগতে অধিক উৎপাদন আৰু আয় বৃদ্ধি কৰিব।
- তথ্য-প্ৰযুক্তিৰ হাৰ্ডৱেৰ খণ্ডটোত আগন্তুক ৪বছৰত ৩.২৫লাখ কোটি টকাৰ উৎপাদন হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। আনহাতে এই খণ্ডৰ ঘৰুৱা উৎপাদন বৰ্তমান ৫-১০শতাংশৰ পৰা ২০-২৫শতাংশলৈ বৃদ্ধি পাব।
- একেদৰে ফাৰ্মা খণ্ডটোত ৩ লাখ কোটি টকাৰ ব্যৱসায় আশা কৰা হৈছে।

ক্ৰিচিলৰ প্ৰতিবেদন মতে ২০২১-২২ বিত্তীয় বৰ্ষটোত ভাৰতীয় অৰ্থনীতি উৰ্ধগামী হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে কিয়নো কেন্দ্ৰ চৰকাৰে আন্তঃগাঁথনিত ইতিমধ্যেই কৰা ব্যাপক বিনিয়োগ আৰু পিএলআইৰ সংযোজনে পৰিৱেশ সলনি কৰিছে। এই প্ৰতিবেদন মতে, পিএলপি সংযোজিত প্ৰকল্পবোৰেই আগন্তুক পাঁচ বছৰত ভাৰতক ৩০-৪০লাখ কোটি টকাৰ ধন আয় কৰি দিব। আনহাতে আত্মনিৰ্ভৰ ভাৰত আৰু ল'কেল ফ'ৰ ভ'কেলৰ (স্থানীয়ৰ প্ৰতি মাত মতা) শ্ল'গানে ভাৰতীয় মনস্তত্ব সলনি কৰিছে। স্থানীয় সামগ্ৰীৰ প্ৰতি সাধাৰণ জনতাৰ ধাউতি বাঢ়িছে। নূন্যতম চৰকাৰ আৰু সৰ্বাধিক শাসনৰ ধাৰণাই জনতাৰ অংশগ্ৰহণ বৃদ্ধি কৰিছে আৰু ৰাষ্ট্ৰৰ প্ৰতি সাধাৰণ জনতাৰ দৃষ্টিকোণ সলনি কৰিছে।

**সকলোৰে অংশীদাৰিত্বৰে চৰকাৰী দখল হ্ৰাস কৰা**

ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰৰ দৃষ্টিকোণ এয়াই যে সাধাৰণ বাজেটখনক এইধৰণে সজাব বিচৰা হৈছে যাতে সকলোৱে ইয়াত প্ৰত্যক্ষ সহযোগিতা আগবঢ়াব পাৰে। সংসদত বাজেট উত্থাপনৰ পূৰ্বে চৰকাৰে সকলো খণ্ডৰ অংশীদাৰৰ সৈতে আলোচনাত মিলিত হৈ তেওঁলোকৰ দিহা-পৰামৰ্শ লোৱাৰ উদ্দেশ্যৰ আঁৰত বাজেটৰ প্ৰস্তুতিক সৰল কৰি তোলাৰ লক্ষ্য নীহিত হৈ আছিল। ইয়াৰ আগতে কেৱল বাজেটৰ পূৰ্বে আলোচনা হৈ আহিছিল কিন্তু এইবাৰ পোনপ্ৰথমবাৰৰ বাবে বাজেটৰ পাছতো ইয়াৰ কাৰ্যকৰীকৰণৰ বাবে সকলো অংশীদাৰক একেলগ কৰি এখন মঞ্চ তৈয়াৰ কৰা হৈছে যাতে বাজেটক সফলতাৰে ৰূপায়ন কৰিব পৰা যায়। চৰকাৰৰ এই বিপ্লৱী চিন্তা আৰু সৰলীকৰণ পদ্ধতিৰ আঁৰৰ চিন্তা প্ৰধানমন্ত্ৰীৰ কথাত স্পষ্ট হৈছে। তেওঁ কৈছে, “দেশৰ প্ৰতিটো ব্যৱসায়িক প্ৰতিষ্ঠান আৰু উদ্যোগক সমৰ্থন দিয়াটো চৰকাৰৰ দায়িত্ব। চৰকাৰ নিজেই ব্যৱসায়বোৰৰ মালিক হৈ থকা কথাটো এতিয়াৰ যুগত সম্ভৱ নহয়। এই কাৰণটোৰ বাবেই মই কওঁ, কোনো এটা ব্যৱসায়ত থকাটো চৰকাৰৰ ব্যৱসায় নহয়, চৰকাৰে ব্যৱসায় কৰিলে বিভিন্ন ধৰণে লোকচানৰহে সম্মুখীন হয়। এই বাবে চৰকাৰৰ গুৰুত্ব কেৱল জনতাৰ কল্যাণত আৰু আন্তঃগাঁথনিৰ উন্নয়নত হ'ব লাগে।” এয়া প্ৰথমবাৰৰ কোনো এক চৰকাৰে মুকলিকৈ কৈছে যে ব্যৱসায়ৰ সৈতে চৰকাৰ জড়িত হৈ থাকিলে সম্পদৰ বিকাশৰ দিশটোত সীমাবদ্ধতা আহি পৰে।

# শক্তি খণ্ডঃ চাৰিটা "R" থকা স্তম্ভ

*ৰাষ্ট্ৰৰ গতি প্ৰদানত শক্তি খণ্ডৰ ভূমিকা কেতিয়াও নুই কৰিব নোৱাৰি কিয়নো ইয়াৰ সৈতে সুগম জীৱন আৰু ব্যৱসায়িক সুগমতা (ইজ-অৱ-লিভিং আৰু ইজ-অৱ-ডুয়িং বিজনেছ) দুয়োটা জড়িত হৈ আছে। এইখিনিতে কেন্দ্ৰ চৰকাৰে শক্তি খণ্ডত প্ৰসাৰ (Reach) অধিক শক্তিশালী কৰা, সুদৃঢ় কৰা (Reinforce), সংস্কাৰ-সংশোধন (Reforms) আৰু নৱীকৰণ শক্তিক (Renewable energy) মূলমন্ত্ৰ হিচাপে গণ্য কৰিছে।*



**২৫০০ কোটি টকাৰ বিনিয়োগ এই বিত্তীয় বৰ্ষত সৌৰ শক্তি আৰু নৱীকৰণ শক্তি খণ্ডত কৰা হ'ব**

- এই মন্ত্ৰৰ অধীনত চৰকাৰে প্ৰতিটো গ্ৰাম্য এলেকালৈ বিজুলি যোগানৰ সপোন বাস্তৱায়িত কৰাৰ সংকল্প লৈছে। উল্লেখ্য যে একবিংশ শতিকাত উপস্থিত হোৱাৰ পাছতো ভাৰতৰ কেতবোৰ অঞ্চলত বিজুলীৰ যোগান নথকটো দুৰ্ভাগ্যজনক। সেয়েহে অতিৰিক্ত বিজুলী যোগানৰ ব্যৱস্থা কৰি এই অভাৱ পূৰণ কৰা হ'ব।
- সংশোধন অব্যাহত আছে আৰু "উদয়" আঁচনিৰ অধীনত চৰকাৰে ২.৩২ লাখ কোটি ব'ণ্ড বিতৰণ কৰিছে। চৰকাৰে প্ৰথমবাৰৰ বাবে শক্তি খণ্ডক একক ভাৱে গুৰুত্ব দিছে।
- বিশ্বই এতিয়া নৱীকৰণ শক্তিখণ্ডৰ বিকাশত গুৰুত্ব দিছে। ভাৰতেও এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বিগত ৬বছৰত উৎপাদন ২.৫%লৈ বৃদ্ধি কৰিছে।
- সৌৰ শক্তিৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতে সফলতা পাইছে। এই শক্তিখণ্ডত ভাৰতে নিজৰ উৎপাদন ১৫%লৈ বৃদ্ধি কৰিছে আৰু বিশ্বৰ অন্যতম শক্তিলৈ পৰিণত হৈছে।
- পিএলআইৰ অধীনত ১৪ হাজাৰ কোটি টকাৰ ব্যয় সাপেক্ষে ১০ হাজাৰ মেগাৱাট শক্তি সম্পন্ন সৌৰ-পেনেল উৎপাদন প্ৰকল্প স্থাপন কৰা হ'ব।
- পিএম কুসুম আঁচনিৰ অধীনত ৩০ গিগাৱাট সৌৰ শক্তি উৎপাদনৰ লক্ষ্য লোৱা হৈছে আনহাতে আগন্তুক ডেৰ বছৰত ৰুফটপ ছলাৰ পেনেলৰ (ঘৰৰ মুধচত লগোৱা সৌৰ প্লেট) জড়িয়তে ৪০ গিগাৱাট সংগ্ৰহৰ প্ৰস্তুতি আৰম্ভ কৰি দিয়া হৈছে।

**পিএম কুসুমৰ অধীনত অন্নদাতাক উৰ্জাদাতালৈ (শক্তি দাতা) পৰিৱৰ্তন**

সম্পদৰ সীমাৱদ্ধতাৰ কথাটোৰে এয়া স্পষ্ট কৰা হৈছে যে চৰকাৰী কামকাজত বিভিন্ন ধৰণৰ সিদ্ধান্ত লোৱাৰ আগতে কেতবোৰ অসুবিধাৰ সৃষ্টি হয়। বিভিন্ন পক্ষক সন্তুষ্ট কৰি, অনুমতি লোৱাৰ পাছতহে কোনো কামত আগবঢ়া হয়। বাণিজ্যিক সিদ্ধান্ত লোৱা ক্ষেত্ৰটো চৰকাৰী পক্ষই হেঁাহকা-পিছলা কৰিবলগীয়া হয়। আইনী যুদ্ধৰ ভয় আছেই, এই কাৰণবোৰৰ বাবেই চৰকাৰী বিষয়া কথাবোৰ যিধৰণে চলি আছে সেইধৰণে চলি থকাটো কামনা কৰে।

প্ৰধানমন্ত্ৰীয়ে লগতে এই কথাটো সংযোগ কৰি কয় যে চৰকাৰৰ হাতত ভাল বিষয়া আছে কিন্তু তেওঁলোকক বিশেষত চৰকাৰী কামকাজ চলোৱাৰ বাবেহে প্ৰশিক্ষণ দিয়া হয়, চৰকাৰী নিয়ম-নীতিৰ পালনৰ চোৱাচিতাৰ দায়িত্ব দিয়া হয়, জনতাৰ কল্যাণৰ দিশটোৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে ৰখা হয়। এনেবোৰ কাম কৰিবলৈ চৰকাৰী বিষয়াক বিশেষভাৱে প্ৰশিক্ষণ দিয়া হয়। এই কামবোৰ জনতাৰ লগত থাকি দীঘলীয়া সময়লৈ কৰাৰ বাবে তেওঁলোক বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত হয়। কিন্তু যেতিয়া চৰকাৰে ব্যৱসায়িক প্ৰতিষ্ঠানৰ দায়িত্ব লয় তেতিয়া এই ভাল প্ৰশিক্ষণপ্ৰাপ্ত বিষয়াবোৰক তেওঁলোকে কৰি থকা কামবোৰৰ পৰা আঁতৰাই ব্যৱসায় চলাবলৈ নিয়োগ কৰা হয়, এনে কৰাৰ ফলত তেওঁলোকৰ প্ৰতি অন্যায় কৰা হোৱাৰ লগতে ৰাজহুৱা খণ্ডৰ ব্যৱসায়টোৰ প্ৰতিয়েই ক্ষতিকাৰক হৈ পৰে। চৰকাৰৰ উদ্দেশ্য ৰাইজৰ জীৱনৰ মান উন্নত কৰাৰ দিশত হ'ব লাগে আৰু জনতাৰ জীৱনত বাধা জন্মাব পৰা কামবোৰৰ পৰা আঁতৰত থাকিব লাগে।

# স্বাস্থ্য খণ্ডঃ
# ভাৰতৰ প্ৰতি বিশ্বৰ বিশ্বাস বৃদ্ধি



*কৰ'নাৰ পাছত সমগ্ৰ বিশ্বই ভাৰতৰ স্বাস্থ্য খণ্ডৰ প্ৰতি মূৰ দাঙি চাইছে। ভাৰতীয় স্বাস্থ্য খণ্ডৰ ক্ষমতা আৰু দৃঢ়শীলতাক বিশ্বই প্ৰশংসা কৰিছে। এয়া প্ৰথমবাৰৰ বাবে এনে হৈছে যে দেশৰ সাধাৰণ বাজেটত কেৱল স্বাস্থ্য খণ্ডটোক মুখ্যভাৱে গুৰুত্ব দিয়া হৈছে। স্বাস্থ্য ক্ষেত্ৰত দিয়া এই গুৰুত্বৰ কথা বাজেটত নিৰ্ধাৰণ কৰা ধনৰাশিয়ে স্পষ্ট কৰিছে।*

## ২,২৩,৮৪৬ কোটি টকা এইবাৰৰ বাজেটত স্বাস্থ্য আৰু কল্যাণৰ বাবে নিৰ্ধাৰণ কৰা হৈছে

- স্বাস্থ্য খণ্ডত নিৰ্ধাৰণ কৰা এই ধনৰাশিয়ে নিয়োগ সৃষ্টিৰ বিষয়টোত গুৰুত্ব আৰোঁপ কৰিছে। কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰৰ চাৰিওটা ক্ষেত্ৰতেই কাম কৰাৰ প্ৰতিশ্ৰুতি দিছে।
- প্ৰথমতে, কাৰ্যকৰী আঁচনি যেনে স্বচ্ছতা সম্পৰ্কীয়; দ্বিতীয়তে, প্ৰাথমিক পৰ্যায়ত বেমাৰ প্ৰতিৰোধ কৰা আৰু দৰিদ্ৰজনক সহায় কৰা; তৃতীয়তে, আন্তঃগাঁথনিৰ লগতে পেছাগত লোকক নিয়োগ কৰা; চতুৰ্থতে, স্বাস্থ্য খণ্ডৰ অসুবিধাবোৰৰ যুদ্ধকালীনভাৱে সমাধান।
- এই চাৰিওটা দিশত সফলতা পাবলৈ চৰকাৰে আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি ব্যৱস্থাপনালৈ, সকলো দিশত ক্ষীপ্ৰতাৰে কাম কৰাৰ সংকল্প লৈছে।
- প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ সুস্থ ভাৰত যোজনা আঁচনিৰ জড়িয়তে পৰীক্ষাৰ পৰা শুশ্ৰুষালৈ ব্যৱস্থা কৰা।
- পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শমতে স্বাস্থ্য খণ্ডৰ স্থানীয় পৰ্যায়ত ৭০হাজাৰ কোটি টকাৰ অনুদান লাভ কৰিব।
- পিএলআইৰ অধীনত ৪১টা ঔষধৰ প্ৰাৰম্ভিক উপাদান ভাৰতত নিৰ্মাণ কৰা হ'ব।

এয়া এনেকুৱা হ'ব লাগে যাতে কোনোকালে চৰকাৰৰ অভাৱো নহয় আৰু পোনপটীয়া প্ৰভাৱো থাকিব নালাগে। এনে চিন্তাৰ দিশত প্ৰথম সিদ্ধান্ত ২০১৬চনত লোৱা এটা কেবিনেট সিদ্ধান্তৰে আৰম্ভ কৰা হৈছিল। সংসদত বাজেট দাখিল কৰাৰ দিন ফেব্ৰুৱাৰীৰ শেষৰ দিনটোৰ সলনি প্ৰথম দিনটো কৰা হৈছিল।

**বাজেটৰ সংস্কৰণে দেশৰ দিশ সলনি কৰিছে**

"ভাৰতৰ অৰ্থনৈতিক ব্যৱস্থাক মই এমাহ আগুৱাই নিব বিচাৰোঁ" সংসদত বাজেট দাখিলৰ ক্ষেত্ৰত পৰম্পৰাগতভাৱে চলি অহা ব্যৱস্থাক সলনি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ ব্যৱস্থাটোত আমূল পৰিৱৰ্তন আনিছে। ২০১৭-১৮চনৰ বিত্তীয় বাজেট ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখৰ সলনি ফেব্ৰুৱাৰীৰ ১ তাৰিখে দাখিল কৰা হয় যাতে সংসদে ইয়াক সোনকালে গৃহীত কৰিব পাৰে। ইয়াৰ পূৰ্বে বাজেট ফেব্ৰুৱাৰীৰ শেষৰটো দিনত দাখিল কৰা হৈছিল আৰু সংসদীয়(বিধায়নী) প্ৰক্ৰিয়া মে' মাহৰ প্ৰথম বা দ্বিতীয় সপ্তাহলৈ চলি থকাৰ বাবেই বৃহৎ পৰিমাণৰ বাজেট সম্বন্ধীয় খৰচ কাৰ্যকৰী হোৱা নাছিল। ইমানেই নহয়,

**প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাইজৰ জীৱনত চৰকাৰৰ প্ৰভাৱো থাকিব নালাগে আৰু অভাৱো থাকিব নালাগে। কামবোৰ সেই দিশতেই কৰা হৈছে।**

বিত্তীয় বৰ্ষৰ আৰম্ভণিৰ প্ৰথম দুটা মাহত বাজেটৰ ধন খৰচ কৰাৰ বাবে সংসদৰ লেখনুদান কমিটীৰ পৰা অনুমোদন কৰিব লাগিছিল। প্ৰধানমন্ত্ৰী মোদী লৈ অনা পৰিৱৰ্তনৰ পূৰ্বে বাজেট দাখিলৰ পাছত আৰম্ভ হোৱা বিত্তীয় বৰ্ষটোৰ প্ৰথম ত্ৰিমাসীত ২৪শতাংশহে খৰচ হৈছিল কিন্তু এয়া ২৮শতাংশলৈ বৃদ্ধি পাইছে। বাজেট সোনকালে দাখিল কৰা এই সংস্কাৰৰ বাবে এতিয়া বিভিন্ন মন্ত্ৰণালয় তথা বিভাগসমূহে বিত্তীয় বৰ্ষৰ আৰম্ভণিতেই সম্পূৰ্ণ ধন পাবলৈ সক্ষম হৈছে আৰু বিভিন্ন আঁচনি ৰূপায়নৰ বাবে সেই ধন প্ৰয়োগ কৰিব পৰা হৈছে।

# প্ৰতিৰক্ষা খণ্ডঃ আত্মনিৰ্ভৰশীলতাৰ দিশত



আজি কিছুদিনৰ আগলৈ আপোনালোকে হয়তো এয়া শুনি আহিছিল যে ভাৰতে বিদেশৰ পৰা আমদানি কৰি অনা প্ৰতিৰক্ষা সামগ্ৰীৰ পৰিমাণ কিমান বেছি আছিল। বিদেশৰ পৰা আমদানি কৰাৰ ক্ষেত্ৰত ভাৰত শীৰ্ষত আছিল। কিন্তু শেহতীয়াকৈ ভাৰতে নিজৰ স্থিতি সলনি কৰিছে। আত্মনিৰ্ভৰশীলতাৰ দিশত আগবঢ়া ভাৰতে এতিয়া বিগত বৰ্ষৰ তথ্য অনুসৰি প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানী কৰা শীৰ্ষৰ ২৫খন দেশৰ অন্যতম হৈছে। উল্লেখ্য যে ভাৰতে প্ৰতিৰক্ষা ক্ষেত্ৰত পূৰ্বৰে পৰা আত্মনিৰ্ভৰশীল আছিল কিন্তু স্বাধীনতাৰ পাছৰ পৰা এই ক্ষেত্ৰত বিশেষ মন দিয়া হোৱা নাছিল। কিন্তু এতিয়া প্ৰতিৰক্ষা উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ ছবি সলনি হৈছে।

**২০১৪ চনৰ ২.২৯ লাখ কোটিৰ বিপৰীতে এইবাৰ বাজেটত প্ৰতিৰক্ষা খণ্ডৰ বাবে ৪.৭৮ কোটি টকা ধাৰ্য কৰা হৈছে**

- ভাৰতে এনে ১০০টা প্ৰতিৰক্ষা সম্বন্ধীয় সামগ্ৰীৰ তালিকা প্ৰস্তুত কৰিছে যিবোৰ স্থানীয় উদ্যোগৰ সহায়ত বিদেশলৈ ৰপ্তানি কৰিব পৰা যাব। উন্নত যুদ্ধ বিমান তেজাচ এতিয়া আকাশমাৰ্গত।
- অলপতে দেশে তেজাচ যুদ্ধবিমানৰ ৰপ্তানিৰ বাবে ৪৮হাজাৰ কোটি টকাৰ অৰ্ডাৰ পাইছে, ভাৰতে ইতিমধ্যেই ১০০খন দেশলৈ বুলেটপ্ৰুফ জেকেট ৰপ্তানি কৰি আছে।
- ভাৰতে ব্যক্তিগত খণ্ডৰ সংযোগীকৰণ অবিহনে এনে এক শৃংখলা অকলশৰীয়াকৈ সৃষ্টি কৰিব নোৱাৰে যাৰ জড়িয়তে প্ৰতিৰক্ষা সম্বন্ধীয় সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পাৰিব। এই বাবেই দেশে ইতিমধ্যেই দুটা প্ৰতিৰক্ষা ক'ৰিড'ৰৰ লগতে ৭৪শতাংশ বৈদেশিক বিনিয়োগ, অনুজ্ঞা পত্ৰৰ ক্ষেত্ৰত শিথিলতা, নীতি-নিয়ম শিথিলতাৰ জড়িয়তে পদক্ষেপ গ্ৰহণ কৰিছে।
- প্ৰথমবাৰৰ বাবে মূলধন খৰচ (কেপিটেল এক্সপেণ্ডিচাৰ) ১৯শতাংশলৈ বৃদ্ধি কৰা হৈছে। প্ৰতিৰক্ষা বিভাগত চীফ অফ ডিফেন্স ষ্টাফ নিয়োগেৰে সিদ্ধান্তৰ ক্ষীপ্ৰতা আহিছে।
- প্ৰতিৰক্ষা উৎপাদনত এমএছএমইবোৰক প্ৰাধান্য দিয়া হৈছে, লগতে ষ্টাৰ্ট আপবোৰৰ জড়িয়তে উদ্ভাৱন আৰু আৰ্হিৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে।

**প্ৰতিৰক্ষা সামগ্ৰীৰ আমদানিৰ পৰিমাণ ২০১৬ চনৰ পৰা ২০২০ চনলৈ ৩৩%লৈ হ্ৰাস পাইছে**

বাজেট সংস্কাৰৰ দিশত প্ৰধানমন্ত্ৰীৰ দৃষ্টিকোণ সম্পূৰ্ণৰূপে স্পষ্ট, "এনে হোৱাহেঁতেন তেনেকুৱা হ'লহেঁতেন, তেনেকুৱা কৰিলে এনেকুৱা হ'লহেঁতেন...আদিবোৰ কৰি থকাৰ সময় নাই। এতিয়া আমাৰ যিখিনি সময় আছে সেইখিনি সময়তেই কামবোৰ সম্পূৰ্ণ কৰিব লাগে আৰু ক্ষীপ্ৰতাৰে কৰিব লাগে। আমি এতিয়া বাজেট দাখিল কৰাৰ সময় আগুৱাই দিছোঁ। আমি এনে কৰাৰ মুখ্য উদ্দেশ্য এটা যে আমি বাজেটৰ ৰূপায়নত ক্ষীপ্ৰতা আনিব বিচাৰিছোঁ।" প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে বাজেটৰ ৰূপায়ন কৰা খণ্ডসমূহৰ অংশীদাৰসকলৰ সৈতে হোৱা কথাবাৰ্তাত এই কথাবোৰ ৱেবিনাৰৰ মাধ্যমত স্পষ্ট কৰি দিছে। পূৰ্বতে বাজেট সংসদত গৃহীত হৈ ৰূপায়ন হোৱাৰ সময়লৈ বাৰিষা কাল আৰম্ভ হৈ গৈছিল আৰু ইয়ে আন্তঃগাঁথনিমূলক কামবোৰ ছেপ্তেম্বৰ মাহলৈ পাছুৱাই দিছিল। কিন্তু এপ্ৰিল মাহৰ পৰা জুন মাহলৈ থকা সময়খিনি আন্তঃগাঁথনিমূলক কাম কৰাৰ বাবে উপযুক্ত সময়। এতিয়া বাজেট দাখিলৰ সময় আগুৱাই দিয়া হোৱাৰ বাবেই এপ্ৰিলৰ পৰা জুন মাহৰ সময়খিনি পোৱা গৈছে আৰু আন্তঃগাঁথনিমূলক কামকাজবোৰ ক্ষীপ্ৰতাৰে আগবাঢ়িছে। এই চৰকাৰে এই কথা বিশ্বাস কৰে যে বাজেট সোনকালে গৃহীত হোৱাৰ পাছতেই এপ্ৰিলৰ ১ তাৰিখৰ পৰা কামবোৰ আৰম্ভ হৈ যাব লাগে, আৰু ফেব্ৰুৱাৰী-মাৰ্চ মাহটোত বাজেটৰ সঠিক ৰূপায়নৰ নীতি-নিৰ্দেশনাবোৰ সম্পূৰ্ণ হৈ যাব লাগে।

# শিক্ষা খণ্ডঃ
# উদ্ভাৱন, গৱেষণা আৰু কৌশল



*নতুন শিক্ষানীতিৰ মাধ্যমত কেন্দ্ৰীয় চৰকাৰে দেশৰ শিক্ষা পদ্ধতিত আমূল পৰিৱৰ্তন আনিছে। স্বাস্থ্যৰ পাছতেই যদি কোনো এটা খণ্ডত চৰকাৰে গুৰুত্ব দিছে তেন্তে সেইটো শিক্ষাৰ বাদে আন একো নহয়। এইবাৰৰ বাজেটত শিক্ষা, গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে আৰু শিক্ষাৰ সৈতে কৌশলক সংযুক্ত কৰাৰ ওপৰতো মন দিয়া হৈছে।*

**এইবাৰৰ বাজেটত ৯৩,২২৩.৬৫ কোটি টকা শিক্ষা খণ্ডৰ বাবে ধাৰ্য কৰা হৈছে**

- স্কুলবোৰত থকা অটল ইনকিউবেশ্বন কেন্দ্ৰ আৰু ডাঙৰৰ স্কুলবোৰত থকা অটল টিংকাৰিঙ পৰীক্ষাগাৰবোৰত বিশেষ গুৰুত্ব দিয়া হৈছে। গৱেষণাক নতুন মাত্ৰা প্ৰদান কৰাৰ উদ্দেশ্য আগত ৰাখি ৫০হাজাৰ কোটি টকাৰ সাহাৰ্যৰ ধন নিৰ্ধাৰণ কৰি ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠান উদ্বোধন কৰা হৈছে।
- হেকাথনবোৰ(একেধাৰে হোৱা বৈঠক) ষ্টাৰ্টআপৰ বাবে বিশেষ সহায়ক হৈছে। এয়া যুৱচাম আৰু উদ্যোগ, দুয়োটাৰ বাবে সুবিধাজনক হৈছে। একেদৰে জ্ঞান আৰু গৱেষণাৰ অভাৱে শিক্ষাখণ্ডক বিকশিত কৰাত বাধা দি আহিছিল বাবেই মহাকাশ, প্ৰতিৰক্ষা, কৃষি, শক্তিখণ্ড আদি ক্ষেত্ৰবোৰ বুদ্ধিমান শিক্ষাৰ্থীৰ বাবে সহজলভ্য কৰি দিয়া হৈছে।
- মহাকাশ, বিজ্ঞান আদি খণ্ডবোৰত নতুন উদ্ভাৱনৰ জৰিয়তে ষ্টাৰ্ট আপক সুবিধা কৰি দিয়াৰ সদৃশ বাই'অ'টেকন'ল'জী (জৈৱ প্ৰযুক্তি) বিষয়তো নতুন গৱেষণাৰে সম্ভাৱনাৰ সৃষ্টি হৈছে।
- ভাৰতে ইতিমধ্যে হাইড্ৰ'জেন বাহন পৰীক্ষা কৰিছে। এতিয়া এই উপাদান সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত গৱেষণাৰ প্ৰয়োজন আছে। সেয়েহে শিক্ষাখণ্ডত বিশেষ গুৰুত্ব দিয়া হৈছে যাতে এই নতুন উদ্ভাৱনবোৰৰ ক্ষেত্ৰত ভাৰতে সফলতা লাভ কৰক।

এই পদ্ধতিত কাম কৰাৰ বাবেই মহামাৰীৰ সময়ৰ পাছতো দেশে সঠিক দিশত কাম কৰি এখন শক্তিশালী বাজেট সংসদৰ মজিয়াত দাখিল কৰি উঠি ইয়াৰ সফল ৰূপায়নত গুৰুত্ব দিবলৈ সক্ষম হৈছে। এই বাজেট নতুন ভাৰতৰ পৰিচয় হোৱাৰ লগতে এখন আত্মনিৰ্ভৰশীল ভাৰতো গঢ়ি তুলিব।

**সাধাৰণ বাজেটে জনতাৰ মনৰ কথা প্ৰতিফলিত কৰিছে**

এই বৰ্ষৰ সাধাৰণ বাজেটৰ প্ৰতি বিভিন্নজনে দিয়া ধনাত্মক প্ৰতিক্ৰীয়াৰ সন্দৰ্ভত মন্তব্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এয়া হৈছে দেশৰ উমৈহতীয়া মনোভাৱ। আৰু এই মনোভাৱে প্ৰতিটো দিশতে সফলতা পাব। আত্মনিৰ্ভৰশীল ভাৰত গঠন হোৱাৰ স্বপ্নক এই মনোভাৱে গতি প্ৰদান কৰিছে। তেওঁ লগতে কয় যে দেশৰ যুৱ প্ৰজন্মৰ ধাউতিয়ে দেশত এক নব্য ধাৰাৰ সৃষ্টি কৰিছে আৰু এই ধাৰাই দেশৰ উন্নয়ন-প্ৰগতিত সহায় কৰিব। এখন দেশ হিচাপে ভাৰতৰ হাতত অফুৰন্ত সম্ভাৱনা আছে আৰু

**কৰ'না মহামাৰীৰ পাছত ভাৰত এখন স্বনিৰ্ভৰশীল দেশ হিচাপে প্ৰতিষ্ঠা হোৱাৰ সুযোগ পাইছে**

এই সম্ভাৱনাক অথলে যাব দিব নোৱাৰি। সেইবাবেই ৰাষ্ট্ৰৰ প্ৰধান ব্যক্তি হিচাপে পোনপ্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে উদ্যোগী, ব্যৱসায়ী, উদ্ভাৱক, অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হৈছে। এই পদক্ষেপে ব্যপাৰ বাণিজ্যত থকা অসুবিধাবোৰ আঁতৰ কৰি এখন স্বনিৰ্ভৰশীল ভাৰত গঢ়াৰ সপোন বাস্তৱ কৰিব।



"এনে হোৱাহেঁতেন তেনেকুৱা হ'লহেঁতেন, তেনেকুৱা কৰিলে এনেকুৱা হ'লহেঁতেন... আদিবোৰ কৰি থকাৰ সময় নাই। এতিয়া আমাৰ যিখিনি সময় আছে সেইখিনি সময়তেই কামবোৰ সম্পূৰ্ণ কৰিব লাগে আৰু ক্ষীপ্ৰতাৰে কৰিব লাগে"

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

সকলো খণ্ডৰ অংশীদাৰৰ সৈতে পোনপটীয়াকৈ কথা পতাৰ মুখ্য উদ্দেশ্য এটাই আৰু সেয়া হৈছে সাধাৰণ বাজেটৰ গুৰুত্ব উপলব্ধি কৰোঁৱা আৰু সঠিক ৰূপায়নত গুৰুত্ব দিয়া। ১ ফেব্ৰুৱাৰী তাৰিখে বাজেট দাখিল হোৱাৰ প্ৰথমটো পযেকতেই প্ৰধানমন্ত্ৰীয়ে এলানি ৱেবিনাৰৰ জড়িয়তে আন্তঃগাঁথনি, শক্তি, স্বাস্থ্য, বিত্তীয় ক্ষেত্ৰত, কৃষি আদি খণ্ডৰ লগতে প্ৰডাকশ্বন লিংকড ইনচেনটিভ উদ্যোগ সম্পৰ্কত আলোচনা কৰে। চৰকাৰে প্ৰতিটো খণ্ডৰ বাবে কিদৰে সুবিধাবোৰ কৰি দিছে এই সম্পৰ্কে সকলোকে অৱগত কৰা জৰুৰী।

**পদ্ধতিগত নিৰ্বিনিয়োজনঃ সম্পদ আহৰণৰ নীতি**

বাজেটত উল্লেখ কৰা সংস্কাৰৰ মাধ্যমত চৰকাৰে এতিয়া সম্পদৰ "মুদ্ৰাকৰণ আৰু আধুনিকতাৰ" মন্ত্ৰৰে আগবাঢ়িছে। এই কাৰ্যই সাধাৰণ ভাৰতীয়ক সবলীকৰণ কৰিব। একাধিক ৰাজহুৱা খণ্ডৰ উদ্যোগ যিবোৰ স্বাধীনতাৰ পাছত স্থাপন কৰা হৈছিল, সেইবোৰ এতিয়া যথেষ্ট লোকচানৰ সন্মুখীন হৈ আছে আৰু ৰাজহুৱা ধনৰো শৰাধ হৈছে। এইবোৰে অৰ্থনীতিৰ ওপৰত বোজাৰ সৃষ্টি কৰিছে। এইবাৰৰ বাজেটে সেয়েহে স্পষ্টকৈ ব্যক্তিগত খণ্ডৰ প্ৰৱেশৰ বাট মুকলি কৰিছে আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ শক্তিশালী কৰাৰ দিশত আগবাঢ়িছে। প্ৰধানমন্ত্ৰীয়ে বাৰে বাৰে উল্লেখ কৰি আহিছে যে চৰকাৰৰ কাম ব্যৱসায়ৰ সৈতে জড়িত হৈ থকা নহয় কিয়নো সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত সীমাৱদ্ধতা আছে।

# কৃষি খণ্ডঃ
# সামগ্ৰিক দৃষ্টিকোণ সময়ৰ আহ্বান

## বাজেটত কৃষি খণ্ডৰ বাবে ১.২৮ লাখ কোটি টকা ধাৰ্য কৰা হৈছে

*ভাৰত এখন কৃষি প্ৰধান দেশ। কৃষি খণ্ডৰ সম্ভাৱনীয়তা অপাৰ। কিন্তু ইমানৰ পাছতো আমি ৬৫-৭০ কোটি টকা মূল্যৰ খোৱা তেল আমদানি কৰোঁ। চৰকাৰে এই কথাবোৰ সলনি কৰাৰ বাবে মন মেলিছে। দাইল জাতীয় সামগ্ৰীৰ ক্ষেত্ৰতো কথাটো একেই। ভাৰতত এই সম্পদৰ বিভিন্নতা থকাৰ পাছতো আমি বিদেশৰ পৰা ইয়াৰ আমদানি কৰি আহিছোঁ আৰু এক বৃহৎ অংকৰ ধন খৰচ কৰিছিলোঁ। কিন্তু লাহে লাহে কথাবোৰ সলনি হ'বলৈ আৰম্ভ কৰিছে আৰু আমদানিৰ ক্ষেত্ৰত পৰিমাণ লাহে লাহে হ্ৰাস কৰা হৈছে। নীতিৰ সলনিৰ জড়িয়তে এয়া সম্ভৱ হৈছে। চৰকাৰে ব্যক্তিগত খণ্ডৰ উপস্থিতি কৃষি খণ্ডত নুই কৰা নাই।*

## গ্ৰাম্য আন্তঃগাঁথনি পুঁজিৰ ধনৰ পৰিমাণ ৪০,০০০ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে

**সেউজ অপাৰেশ্বনৰ অধীনত ফল-মূল, শাক-পাঁচলিৰ পৰিবহনত ৫০ শতাংশ ৰাজসাহাৰ্য**

প্ৰথমবাৰৰ বাবে দুগ্ধ, মৌমাখি আৰু মৎস্য উৎপাদনৰ দিশত চৰকাৰে গুৰুত্ব আৰোঁপ কৰিছে। প্ৰথমবাৰৰ বাবে পশুপালক আৰু মৎস্যপালকক কৃষাণ ক্ৰেডিট কাৰ্ডৰে সংযোগ কৰা হৈছে।

- কৃষি খণ্ড ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ উৎকৃষ্ট অংশীদাৰ হিচাপে পৰিগণিত হ'ব পাৰে। গ্ৰাম্য অৰ্থনীতিৰ সেই ১২ কোটি খেতিয়ক যি দিনে নিশাই শ্ৰম কৰি গ্ৰামীণ অৰ্থনীতিক টনকিয়াল কৰে কিন্তু উপযুক্ত পাৰিশ্ৰমিক নাপায়, তেওঁলোক ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্বৰে শক্তিশালী হৈ পৰিব।
- ফল-মূল আৰু শাক-পাঁচলিৰ খেতিয়কৰ উৎপাদিত সামগ্ৰী মণ্ডী বা বজাৰলৈ নিয়াৰ পূৰ্বে সংৰক্ষণৰ অভাৱত নষ্ট হৈ যায়, ইয়াৰ বাবে ৩০০খন কৃষাণ ৰেল আৰম্ভ কৰা হৈছে আৰু ৫০শতাংশ পৰ্যন্ত ৰাজসাহাৰ্য দিয়া হৈছে।
- শেহতীয়াকৈ কৃষি খণ্ডত ঋণৰ পৰিমাণ ১৬.৫০ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ওপৰি ১০০০ মণ্ডীক ই-নামৰ সৈতে সংযুক্ত কৰা হৈছে। ইয়াৰ ফলত কৃষকে নিজৰ উৎপাদিত সামগ্ৰীৰ সঠিক মূল্য লাভ কৰিব।
- কৃষক উৎপাদক সংস্থা (এফপিঅ') আৰু এপিএমচি মণ্ডীবোৰ অধিক শক্তিশালী কৰা হৈছে। চৰকাৰে এতিয়া খাদ্য প্ৰস্তুতকৰণ আৰু খাদ্য সংশাধনৰ ওপৰত অধিক গুৰুত্ব দিছে কিয়নো আগন্তুক দিনবোৰত এই খণ্ডৰ গুৰুত্ব বৃদ্ধি পাব।

কেন্দ্ৰ চৰকাৰে সেয়েহে নূন্যতম চৰকাৰ আৰু সৰ্বাধিক শাসনৰ পদ্ধতিত বাজেটৰ জড়িয়তে এনে ১০০টা ৰাজহুৱা উদ্যোগ চিহ্নিত কৰিছে যিবোৰ মুদ্ৰাকৰণৰ জড়িয়তে আৰু ব্যক্তিগত অংশীদৰিত্বৰে পুনঃগঠন শক্তিশালী কৰা হ'ব। একেদৰে চাৰিটা ষ্টেটেজিক খণ্ডক সামৰি ৰাষ্ট্ৰীয় সম্পদ মুদ্ৰাকৰণ পাইপলাইনৰ জড়িয়তে এনেবোৰ ৰাজহুৱা সম্পদ চিহ্নিত কৰা হ'ব যিবোৰ অত্যাধিক লোকচানৰ সম্মুখীন হৈ আছে নতুবা বন্ধ হৈ পৰি আছে। এই ১০০টাৰো অধিক ৰাজহুৱা খণ্ডৰ উদ্যোগৰ মুদ্ৰাকৰণৰ জড়িয়তে কেন্দ্ৰ চৰকাৰে ২.৫লাখ কোটি টকা ৰাজহ সংগ্ৰহৰ পৰিকল্পনা কৰিছে। চৰকাৰ লক্ষ্যই হৈছে বিনিয়োগকাৰী আৰু জমাকাৰীৰ বিশ্বাস জয় কৰা, এই পদ্ধতিগত সংস্কাৰৰ দ্বাৰা চৰকাৰে সাধাৰণ জনতাৰ কল্যাণৰ বাবেও কামবোৰ কৰিব পাৰিব, আন্তঃগাঁথনিৰ ক্ষেত্ৰত উন্নয়ন সম্ভৱ কৰি তুলিব পাৰিব। বাজেটত অনা সংস্কাৰৰ লক্ষ্যৰে চৰকাৰে সাহাৰ্যৰ সলনি উৎপাদনৰ ওপৰত গুৰুত্ব দিছে। এই কাৰ্যই ভাৰতক বিশ্বৰ প্ৰতিযোগিতামূলক বজাৰৰ বাবে যোগ্য কৰি তুলিব।

এয়া চৰকাৰে সঠিক দিশতেই সম্পৰীক্ষা কৰিছে যে জনতাৰ জীৱনত পোনপটীয়াকৈ হস্তক্ষেপ কৰাৰ সলনি তেওঁলোকৰ অংশগ্ৰহণ, সম্ভাৱনীয়তাবোৰ পৰীক্ষা কৰি চাব বিচাৰিছে। উল্লেখ্য যে কৰ'না মহামাৰীৰ পাছত দেশে এক নতুন সুবিধা লাভ কৰিছে। এই সুবিধাৰ উচিত ব্যৱহাৰে দেশক একাধিক খণ্ডত আত্মনিৰ্ভৰশীল কৰি তুলিছে। চৰকাৰে এতিয়া এই সিদ্ধান্ত গ্ৰহণ কৰিছে যে ব্যক্তিগত খণ্ডটো চৰকাৰৰ মুখ্য সহযোগী হৈ পৰিব আৰু চৰকাৰ এই সম্বন্ধটোত পৰামৰ্শদাতাৰ ৰূপত থকিব যাতে ব্যক্তিগত খণ্ডৰ প্ৰত্যক্ষ সহযোগত আত্মনিৰ্ভৰশীল ভাৰত গঠন কৰা হয়। এই আত্মনিৰ্ভৰশীল ভাৰতৰ উৎপাদিত প্ৰতিটো সামগ্ৰীক বিশ্ববাসীয়ে সন্মান জনাব আৰু উচিত স্থান দিব। ■



# পৰিৱেশ অনুকূল পৰিবহন ব্যৱস্থাৰ দিশত

**সুস্থ জীৱনৰ বাবে স্বচ্ছ পৰিৱেশ প্ৰয়োজনীয়, কিন্তু পৰিৱৰ্তিত সময়ত পৰিৱেশৰ সুৰক্ষা এক বৃহৎ প্ৰত্যাহ্বানলৈ ৰূপান্তৰ হৈছে। ভাৰতত প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰৰ দিশটোত অবাধ প্ৰয়োগে শংকাৰ সৃষ্টি কৰিছিল কিন্তু তেনে সময়তেই কেন্দ্ৰ চৰকাৰৰ সময়োচিত পদক্ষেপ আৰু "ফেম ইণ্ডিয়া" আঁচনি বৰদান হৈ পৰিছে...**

ভাৰতীয় পৰম্পৰাগত সমাজ ব্যৱস্থাই আমাক এই কথা শিকাইছে যে প্ৰকৃতিৰ পৰা প্ৰয়োজনীয় উপাদানহে গ্ৰহণ কৰা, মাত্ৰাধিক ব্যৱহাৰ সমাজ, পৰিৱেশ দুয়োটাৰ বাবেই বেয়া। ভাৰতীয় সমাজে প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। শতিকাজুৰি ভাৰতবাসীয়ে পৰিৱেশ সংৰক্ষণৰ শ্ৰেষ্ঠ নিদৰ্শন দেখুৱাই আহিছে। প্ৰকৃতিৰ সৈতে সহবাস ভাৰতীয় সমাজৰ পৰিচয়। আধুনিক সমাজত প্ৰদূষণৰ সৈতে যুঁজিবলৈও কেন্দ্ৰ চৰকাৰে পদ্ধতিগত ব্যৱস্থাৱলী হাতত লৈ আহিছে। শেহতীয়াকৈ জলবায়ু পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত দেশৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ফেম ইণ্ডিয়াৰ দৰে আঁচনি গ্ৰহণ কৰি ই-বাহনৰ চলাচলত গুৰুত্ব দিছে।

# ফেম ইণ্ডিয়া আঁচনি কিয় লাগে:

**তিনিটা কাৰকে ফেম ইণ্ডিয়া আঁচনি লৈ অনাৰ প্ৰয়োজনীয়তা আনিলে**

### প্ৰথমঃ

বায়ু প্ৰদূষণ প্ৰতিৰোধ কৰাৰ বাবেই এই আঁচনি লৈ অনাৰ প্ৰয়োজনীয়তা আহিল। বিশেষত মেট্ৰ' চহৰৰ বৰ্ধিত বায়ু প্ৰদূষণ চিন্তাৰ কাৰক হৈ পৰিছে। পেট্ৰ'ল-ডিজেল গাড়ীৰ চলাচলৰ ফলত

**৬১** শতাংশ বায়ু প্ৰদূষণ হৈ আহিছে। এক প্ৰতিবেদনত এই কথা প্ৰকাশ।

### দ্বিতীয়ঃ

প্ৰাকৃতিক ইন্ধন মানে পেট্ৰ'ল-ডিজেলৰ ওপৰত চলা গাড়ীৰ ক্ষেত্ৰত ভাৰতৰ স্থান চতুৰ্থ।

বিগত দশকবোৰত ভাৰতত এই গাড়ীৰ চলাচল যথেষ্ট বৃদ্ধি পাইছে।

### তৃতীয়ঃ

জীৱাশ্ম ইন্ধন ব্যৱহাৰ কৰা বিশ্বৰ দেশবোৰৰ ভিতৰত ভাৰতৰ স্থান তৃতীয়।

ভাৰতে নিজৰ প্ৰয়োজনৰ বাবে এই ইন্ধনৰ ৮৩ শতাংশ আমদানি কৰে।

- এইবোৰ কাৰকে ফেম ইণ্ডিয়া আঁচনি ৰূপায়নৰ বাবে চৰকাৰক বাধ্য কৰাইছে। আনহাতে বায়ু প্ৰদূষণ প্ৰতিৰোধৰ বাবেও চৰকাৰে ইউৰো-৬ মানকৰ ব্যৱহাৰৰে ভাৰতীয় বিএছ-৪ৰ পৰা পোনপটীয়াকৈ বিএছ-৬ মানক বাধ্যতামূলক কৰিছে। এয়া ২০২০ বৰ্ষৰ ১ এপ্ৰিলৰ পৰা বলবৎ হৈছে।

## ফেম ইণ্ডিয়া আঁচনি

- ফেম ইণ্ডিয়া আঁচনিৰ প্ৰথম পৰ্যায়ত ২০১৫-১৭ বৰ্ষটোত বৈদ্যুতিক বাহনৰ ব্যৱহাৰ আৰু মেক ইন ইণ্ডিয়াৰ অধীনত এই বৈদ্যুতিক বাহন (দুচকীয়া আৰু চাৰিচকীয়া হাইব্ৰীড বাহন) ৰাইজৰ মাজত জনপ্ৰিয় কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।
- ফেম ইণ্ডিয়া আঁচনিৰ দুটা পৰ্যায়। প্ৰথম পৰ্যায় ২০১৯চনৰ ৩১মাৰ্চত সমাপ্ত হৈছিল। দ্বিতীয় পৰ্যায় ২০১৯চনৰ ১ এপ্ৰিলৰ পৰা আৰম্ভ হৈ ২০২২ৰ ৩১ মাৰ্চলৈ চলিব। ইয়াৰ লক্ষ্য এয়াই যে দেশে যেতিয়া স্বাধীনতাৰ ৭৫সংখ্যক বছৰ উদযাপন কৰি থাকিব তেতিয়া ভাৰতীত পথত বেছিভাগ গাড়ীয়ে ই-বাহন হ'ব। দেশত প্ৰদূষণ কম হ'ব।
- এই আঁচনিৰ প্ৰথম পৰ্যায়ত প্ৰায় ৩লাখ হাইব্ৰীড-ইলেক'ট্ৰনিক গাড়ী চাহিদা-উৎসাহ অনুসৰি চলোৱা হৈছিল। এই পৰ্বত ৩৫৯কোটি টকা খৰচ হৈছিল। ইয়াৰ উপৰি কেন্দ্ৰীয় গধুৰ উদ্যোগ বিভাগে ২৮০কোটি টকাৰ অনুমোদনেৰে দেশৰ বিভিন্ন চহৰত ৪২৫খন ইলেকট্ৰিক-হাইব্ৰীড বাছ চলায়। ফেম ইণ্ডিয়াৰ দ্বিতীয় পৰ্যায়ত ৭ হাজাৰ ই-বাছ, ৫ লাখ ই-তিনিচকীয়া বাহন, ৫৫হাজাৰ ই-যাত্ৰীবাহী গাড়ী আৰু ১০লাখ ই-দুচকীয়া বাহন ৰাজসাহাৰ্যৰ জৰিয়তে চলোৱা লক্ষ্য বান্ধি লৈছে।
- এই আঁচনিৰ মুখ্য উদ্দেশ্য প্ৰদূষণ ৰোধ কৰা আৰু গ্ৰীণ হাউচ গেছ নিৰ্গমন প্ৰতিৰোধ কৰা। এই আঁচনিৰ অধীনত দেশজুৰি আন্তঃগাঁথনিৰ নিৰ্মাণ কৰি থকা হৈছে।
- ফেম ইণ্ডিয়াৰ বাবেই ভাৰতে প্ৰতিদিনে ৫২,৭৯৪লিটাৰ ইন্ধন সঞ্চয় কৰিব পাৰিছে।





**১০,০০০** কোটি টকাৰ ৰাজসাহাৰ্য ফেম ইণ্ডিয়া-২ৰ বাবে


**৫,৫০০** কোটি টকাৰ ৰাজসাহাৰ্য ফেম ইণ্ডিয়া-১ৰ বাবে

**৫০ মিলিয়ন লিটাৰ ফেম ইণ্ডিয়া-১ আৰম্ভ হোৱাৰ দিনধৰি এতিয়ালৈ হোৱা ইন্ধনৰ সঞ্চয়**

প্ৰদূষণ ৰহিত সমাজ গঢ়াৰ বাবে ফেম ইণ্ডিয়া আঁচনি ৰূপায়ন কৰা হৈছে। এই আঁচনিয়ে সাধাৰণ জনতাৰ লগতে অপাৰেটৰ সকলৰ পৰাও ভাল সঁহাৰি পাইছে। শুদ্ধ বাতাবৰণৰ প্ৰতি লক্ষ্য ৰাখিয়েই আমি বিএছ-৬ ইঞ্জিনৰ ব্যৱহাৰ আৰু চলাচল বাধ্যতামূলক কৰিছোঁ। এতিয়া দেশত প্ৰতিখন বাহনেই বিএছ-৬ যুক্ত আৰু এই প্ৰক্ৰিয়াই দেশত প্ৰদূষণৰ মাত্ৰা ৭৫-৮০ শতাংশলৈ হ্ৰাস কৰিছে।



**প্ৰকাশ জাভড়েকাৰ**
বন, পৰিৱেশ, জলবায়ু পৰিৱৰ্তন বিভাগৰ লগতে গধুৰ উদ্যোগ-ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী




ক্ৰমবৰ্ধমান জলবায়ু পৰিৱৰ্তন আৰু বৰ্ধিত বায়ু প্ৰদূষণে পৰিস্থিতি বেয়াৰ ফালে ঢাল খুৱাইছে। বিশেষত জীৱাশ্ম ইন্ধন মানে পেট্ৰ'ল-ডিজেলত চলা বাহনবোৰে প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰি নি আছে। এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেন্দ্ৰ চৰকাৰে ৰাষ্ট্ৰীয় ইলেকট্ৰিক ম'বিলিটী অভিযানৰ অধীনত ২০১৫ চনৰ ১ এপ্ৰিল তাৰিখে ফেম ইণ্ডিয়া (হাইব্ৰীড আৰু ইলেকট্ৰ'নিক বাহন সোনকালে ব্যৱহাৰ কৰা আৰু উৎপাদন কৰা) নামেৰে এখন আঁচনিৰ উদ্বোধন কৰে।

**সফলতাৰ নতুন অধ্যায় মুকলি কৰি বিএছ-৬ বাহনঃ**

ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনমতে এই বিশ্বত প্ৰতিবছৰে ৭০ লাখ লোক বায়ু প্ৰদূষণত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। এই বায়ু প্ৰদূষণৰ সৈতে যুঁজ দিয়াৰ উদ্দেশ্যেৰেই ২০২০ বৰ্ষৰ ১ এপ্ৰিল তাৰিখৰ পৰা বিএছ নিৰ্গমন মান নিৰ্ধাৰণ কৰিছে। প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ যি পদ্ধতি ব্যৱহাৰ কৰা হয় তাকেই বিএছ-ভাৰত ষ্টেজ বুলি কোৱা হয়। ইউৰোপৰ আৰ্হিত ভাৰতৰ প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড আৰু পৰিৱেশ-বন মন্ত্ৰণালয়ে এই পৰ্যায়বোৰ নিৰ্ধাৰণ কৰিছে।

# ফেম ইণ্ডিয়া সম্পৰ্কত কেইটামান প্ৰশ্নোত্তৰ

Q&A

**আমি ফেম ইণ্ডিয়া আঁচনিৰ অধীনত লাভালাভবোৰ কেনেকৈ ল'ব পাৰিম?**
যেতিয়া গ্ৰাহকে এখন ই-বাহন ক্ৰয় কৰিব তেতিয়া এই বাহনখনত চৰকাৰে দিয়া সাহাৰ্যৰ পৰিমাণৰ ধন গ্ৰাহকে ৰেহাই মূল্যত পাব।

Q&A

**সমগ্ৰ দেশতেই ফেম ইণ্ডিয়া আঁচনি গ্ৰহণ কৰা হৈছেনে?**
হয়, কৰা হৈছে। প্ৰথম পৰ্যায়ত পাইলট প্ৰজেক্ট হিচাপে কাম কৰা হৈছিল। দ্বিতীয় পৰ্যায়ত সমগ্ৰ দেশতেই আঁচনি ৰূপায়ন কৰা হৈছে। ৰেহাই মূল্য দুচকীয়া আৰু চাৰিচকীয়া বাহনৰ ক্ষেত্ৰতো দিয়া হৈছে।

Q&A

**বাণিজ্যিক ব্যৱহাৰৰ বাবে ক্ৰয় কৰা ই-বাহন সাহাৰ্য বা ৰেহাইৰ বাবে উপযুক্ত নে?**
যাত্ৰীবাহী টেক্সী হিচাপে ব্যৱহাৰ হোৱা ই-বাহনত সাহাৰ্য আছে। আনহাতে ব্যক্তিগত ব্যৱহাৰৰ বাবে কেৱল দুচকীয়া বাহনৰ ক্ষেত্ৰত সাহাৰ্য আছে।

Q&A **কৰ্প'ৰেট আৰু অন্য সংস্থাই এই ৰাজসাহাৰ্য লাভ কৰিবনে?**
হয়, লাভ কৰিব।

Q&A **যদি কোনোবাই এখনতকৈ অধিক ই-বাহন ক্ৰয় কৰে তেন্তে তেওঁ ৰাজসাহাৰ্য পাবনে?**
হয়, চাবছিডীৰ ব্যৱস্থা আছে।

Q&A **ফেম ইণ্ডিয়াৰ অধীনত সুবিধা পাবলৈ আমি আমাৰ পুৰণি পেট্ৰ'ল-ডিজেল গাড়ী বিক্ৰী কৰিব লাগিব নেকি?**
নালাগে। বৰ্তমান প্ৰচলিত নীতি-নিৰ্দেশনাই তেনে কোনো নিৰ্দেশ দিয়া নাই।

Q&A **বজাৰত উপলব্ধ ই-হাইব্ৰীড বাহন চলাবলৈ সুৰক্ষিত নে?**
ফেম ইণ্ডিয়াই নিৰ্বাচিত কৰা সকলো ই-বাহনেই পৰীক্ষা কৰা হয়। গতিকে এইবোৰ সুৰক্ষিত।

Q&A **ৰাজসাহাৰ্যৰ গণনা কিদৰে কৰা হয়?**
ৰাজসাহাৰ্য কেৱল যাত্ৰীবাহী টেক্সিৰ ক্ষেত্ৰতহে প্ৰয়োজ্য। যিবোৰ ই-বাহনৰ শ্ব'ৰুমৰ বাহিৰৰ মূল্য ১৫ লক্ষাধিক হয় সেইবোৰে সাহাৰ্য পাব। বেটাৰীৰ ক্ষমতা অনুসৰি সাহাৰ্য পোৱা যাব। এইমতে প্ৰতিকিল'ৱাটত ১০হাজাৰ টকা আৰু বাছৰ প্ৰতি কিল'ৱাটত ২০হাজাৰ টকা সাহাৰ্য আছে।

Q&A **ফেম ইণ্ডিয়াৰ দ্বিতীয় পৰ্যায়ত ই-বাহনবোৰত কিমান ৰাজসাহাৰ্য আছে?**
আঁচনিৰ অধীনত ৫৫হাজাৰ ই-বাহনত(গাড়ী) ২.৫ লাখ টকালৈ আৰু ২০হাজাৰ হাইব্ৰীড গাড়ীত ২০হাজাৰ টকালৈ সাহাৰ্য আছে। এই আঁচনিত ১০ লাখ দুচকীয়া গাড়ী, ৫লাখ তিনি-চকীয়া বাহন আৰু ৭হাজাৰ বাছত ৰাজসাহাৰ্য দিয়া হ'ব। এই আঁচনিৰ অধীনত সেইসমূহ আধুনিক প্ৰযুক্তিৰ বাহনত ইনচেনটিভ দিয়া যাব যিবোৰত লিথিয়াম-আয়ন বেটাৰী, নতুন প্ৰযুক্তি থাকে।

প্ৰথমতে পেট্ৰ'ল-ডিজেলত চলা বাহনবোৰক সামৰি লোৱা হৈছিল। ১৯৯১চনৰ পৰাই ভাৰতত এয়া চলি আহিছে। কিন্তু ২০০২চনত বিএছ মানক আৰম্ভ কৰা হয়, ২০০৫চনত এয়া বিএছ-২, ২০০৬চনত বিএছ-৩ আৰু ২০১০ত বিএছ-৪ চলিছিল। বিগত বৰ্ষবোৰত প্ৰদূষণৰ মাত্ৰা তীব্ৰ গতিত বাঢ়িবলৈ ধৰাত চৰকাৰে বিএছ-৪ৰ পৰা পোনপটীয়া বিএছ-৬লৈ আহিবলৈ বাধ্য কৰালে। বিএছ-৫ৰ মানক বৰ্জন কৰি দিল্লীৰ পৰা ২০২০চনত বিএছ-৬ মানক বাহন আৰম্ভ কৰা হৈছে।

**এই নতুন মানকে কি সলনি কৰিবঃ**

- বিএছ-৬ৰ অন্তৰ্গত বাহনবোৰৰ ইঞ্জিন ক্ষতিকাৰক কাৰ্বনৰ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে সক্ষম।
- বিএছ-৬ৰ মানক মতে পিএম-২.৫ কণিকাবোৰ ২০ ৰ পৰা ৪০ এমজিচিএম থাকে। বিএছ-৪ত এই মাত্ৰা ১২০এমজিচিএম আছিল।
- বিএছ-৪য়ে ইন্ধনত ছালফাৰৰ পৰিমাণ ৫০ এমজি/কেজি আছিল। বিএছ-৬ত এয়া ১০ এমজি/কেজি লৈ হ্ৰাস কৰা হৈছে।
- ১ এপ্ৰিল, ২০২০ৰ পাছত দেশত কেৱল বিএছ-৬থকা ইঞ্জিনৰ গাড়ীহে বিক্ৰী কৰাৰ অনুমতি আছে। ■



# ক্ষুদ্ৰ ব্যৱসায়ীৰ বাবে আশাৰ বতৰা প্ৰধানমন্ত্ৰী মুদ্ৰা ঋণ আঁচনি

ভাৰতীয় অৰ্থনীতিৰ গতিক ক্ষীপ্ৰতা প্ৰদান কৰিবৰ বাবে দেশৰ ক্ষুদ্ৰ উদ্যোগীক উৎসাহী কৰাতো প্ৰয়োজনীয়। ক্ষুদ্ৰ ব্যৱসায়ীৰ কৌশল বিকাশে সমাজৰ অৰ্থনীতি টনকিয়াল কৰে। বিগত ৬বছৰে প্ৰধানমন্ত্ৰী মুদ্ৰা আঁচনিয়ে এই কামটোকেই কৰি আহিছে। এই ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ সপোনবোৰ বাস্তৱায়িত কৰাৰ বাবে মুদ্ৰা আঁচনিয়ে তেওঁলোকক যথেষ্ট সহায় কৰিছে। এতিয়ালৈ প্ৰায় ২৮কোটি যুৱক, মহিলা আৰু আত্মনিৰ্ভৰশীল হ'ব খোজা ব্যক্তিয়ে মুদ্ৰা আঁচনিৰ সুবিধা গ্ৰহণ কৰি সফল হৈছে। মহাজনৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হৈ ক্ষুদ্ৰ ব্যৱসায়ীয়ে এতিয়া শান্তিৰে ব্যৱসায় কৰিবলৈ সক্ষম হৈছে।

"মুদ্ৰা আঁচনিৰ লক্ষ্য মূলত ধন নথকাসকললৈ ধনৰ যোগান ধৰা। ভাৰতীয় ক্ষুদ্ৰ ব্যৱসায়ী ইমানদিনে মহাজনৰ শোষণৰ বলি হৈ আহিছিল কিন্তু মুদ্ৰা আঁচনিয়ে সেই সকলোকে এইবুলি প্ৰত্যয় নিয়াব যে তেওঁলোকে ৰাষ্ট্ৰৰ নিৰ্মাণত সহায়কৰ কাম কৰি আছে আৰু ৰাষ্ট্ৰইও তেওঁলোকক প্ৰয়োজন অনুসাৰে সহায় কৰি যাব।"

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

মধ্যপ্ৰদেশৰ বাংখেদীৰ নিবাসী প্ৰমোদ শৰ্মাই এখন সৰু দোকান দি জীৱিকা চলাই আছিল। কিন্তু এই দোকানখনৰ পৰা হোৱা আয়ৰে তেওঁ নিজৰ পৰিয়ালটোক ভালকৈ পোহপাল দিয়াৰ ক্ষেত্ৰত সফল হোৱা নাছিল। এদিন সেয়েহে তেওঁ প্ৰধানমন্ত্ৰী মুদ্ৰা আঁচনিৰ অধীনত ঋণ লোৱাৰ সিদ্ধান্ত লয়। এটা সময়ত তেওঁ আবেদন কৰা ৯ লাখ টকা ঋণৰ ধনে মঞ্জুৰি লাভ কৰে আৰু সেয়া তেওঁ ব্যৱসায়ৰ সম্প্ৰসাৰণৰ বাবে প্ৰয়োগ কৰে। তেওঁ এতিয়া চাৰিজন অন্য লোকক নিয়োগ কৰিবলৈ সক্ষম হৈছে আৰু তেওঁৰ ব্যৱসায়েও ১০টা মাহত ৫০ লাখ টকাৰ ব্যৱসায় কৰি সফলতাৰ মুখ দেখিবলৈ সক্ষম হৈছে।

মুদ্ৰা যোজনাই শৰ্মাৰ দৰে অনেক ক্ষুদ্ৰ ব্যৱসায়ীক সহায় কৰিছে। একেই কাহিনী ছত্তিশগড়ৰ ৰায়পুৰৰ ৰাজকুমাৰী ভাৰ্মাৰ। এক অগ্নিকাণ্ডৰ ঘটনাই নিজৰ ক্ষুদ্ৰ শাক-পাঁচলিৰ দোকানখন ভস্মীভূত কৰাৰ পাছত মুদ্ৰা আঁচনিৰ অধীনত ৰাজকুমাৰীয়ে ঋণৰ আবেদন কৰে। সেই আবেদনৰ ভিত্তিত ৰাজকুমাৰী ভাৰ্মাই ৪ লাখ টকাৰ ঋণ লাভ কৰে আৰু নিজৰ দোকান পুনৰ আৰম্ভ কৰাৰ লগতে নিজৰ লগতে আনৰ জীৱন সলনি কৰিছে। সমগ্ৰ দেশত এনে অনেক কাহিনী আছে। এয়া সম্ভৱ হৈছে কেন্দ্ৰীয় চৰকাৰে আঁচনিখন ৰূপায়ন কৰাৰ সময়ত থকা স্পষ্টতাৰ বাবে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আঁচনি ৰূপায়নৰ আৰম্ভণিত কৈছিল যে, "দেশত কোনো যুৱকে ব্যৱসায় কৰিম বুলি ভাৰি প্ৰথমে সম্মুখীন হোৱা অসুবিধাটো হৈছে পুঁজিৰ অভাৱ। এই অভাৱ দূৰ কৰাৰ বাবে মুদ্ৰা আঁচনিয়ে প্ৰতিশ্ৰুতি দিছে।"

## প্ৰধানমন্ত্ৰী মুদ্ৰা আঁচনি তিনিটা ভাগত বিভক্তঃ

- **শিশুঃ** ৫০ হাজাৰ পৰ্যন্ত,
- **কৈশোৰঃ** ৫০ হাজাৰৰ পৰা ৫ লাখ পৰ্যন্ত,
- **তৰুণঃ** ৫লাখৰ পৰা ১০ লাখ পৰ্যন্ত

### মুদ্ৰা আঁচনি কি হয়ঃ

২০১৫ চনৰ ৮ এপ্ৰিল তাৰিখে এয়া আৰম্ভ কৰা হয়। বিশেষত ক্ষুদ্ৰ ব্যৱসায়ী, উদ্যোগীসকলক সহায় কৰাৰ বাবেই এই বিত্তীয় ঋণ আঁচনি গ্ৰহণ কৰা হয়। ইয়াৰ অধীনত ১০ লাখ পৰ্যন্ত ঋণ ক্ষুদ্ৰ-লঘু খণ্ডৰ উদ্যোগীৰ সহায়ৰ বাবে দিয়া হয়।

### মুদ্ৰাৰ বাবে যোগ্যতাঃ

যিকোনো এজন ভাৰতীয় নাগৰিক যিয়ে ১০ লাখ পৰ্যন্ত খৰচৰে কোনো এক অনা-কৃষি খণ্ডৰ ব্যৱসায়ৰে স্বাৱলম্বী হ'ব বিচাৰে তেওঁলোকে এই ঋণ ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে তেওঁলোকে বেংক, এমএফআই বা এনবিএফচিত আবেদন কৰি মুদ্ৰা ঋণ ল'ব পাৰে।

### কেনেকৈ পাবঃ

কোনো ধৰুৱা বা সংস্থাই মুদ্ৰা ৱেবচাইটত তালিকাভুক্ত যিকোনো এটা বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণৰ আবেদন কৰিব পাৰে নতুবা **www.udyamimitra.in** গৈ অনলাইনত আবেদন কৰিব পাৰে।

## ক্ষুদ্ৰ ব্যৱসায়ীলৈ ডাঙৰ সহায়

- এই আঁচনি আৰম্ভ হোৱাৰ পৰা ২০২১ চনৰ ৮ মাৰ্চলৈ প্ৰায় ২৮.৩৬ কোটি টকাৰ ঋণ অনুমোদন হৈছে। ইয়াৰ ভিতৰত ২০২১ বৰ্ষৰ ২৬ ফেব্ৰুৱাৰীলৈ থকা তথ্যমতে ৭০ শতাংশ মহিলা ব্যৱসায়ীয়ে এই ঋণৰ সুবিধা লাভ কৰিছে।
- এই ঋণসমূহ বাণিজ্যিক বেংক, প্ৰান্তীয় গ্ৰাম্য বেংক, ক্ষদ্ৰ বিত্তীয় বেংক, মাইক্ৰো-ফাইনেঞ্চ প্ৰতিষ্ঠান তথা এনএবএফচিবোৰে দিছে।
- বেংক বোৰে এই ঋণ লাভ কৰাৰ প্ৰক্ৰিয়া যথেষ্ট সৰলীকৃত কৰিছে। কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ আবেদনকাৰীয়ে এই ঋণ লাভ কৰে।
- এয়া মূলত বিনামূলীয়া। ঋণৰ ধন ঘূৰাই দিয়াৰ সৰ্বাধিক সময় ৫ বছৰ।
- এই মুদ্ৰা ঋণ মূলত ক্ষুদ্ৰ উৎপাদন প্ৰতিষ্ঠান, দোকানী, ফলমূল, শাক-পাঁচলিৰ ব্যৱসায়ী, খাদ্য সেৱা খণ্ড, কাৰিকৰী মেৰামতি কেন্দ্ৰ, মেশ্বিন পৰিচালক সংস্থা, ক্ষুদ্ৰ ব্যৱসায়ী আদিবোৰে অবেদন কৰি সুবিধা পাব পাৰে।
- মুদ্ৰা ঋণৰ তিনিটা ভাগৰ ভিতৰত শিশু ভাগটোত সৰ্বাধিক ঋণ অনুমোদন জনোৱা হৈছে। এই পৰিমাণ শতাংশৰ হিচাপত ৮৮ শতাংশ।

### মুদ্ৰাৰ বাবে কৰিবলগীয়া আবেদনৰ প্ৰক্ৰিয়াঃ

- মুদ্ৰা ৱেবচাইটৰ পৰা আবেদন পত্ৰ ডাউনলোড কৰি আবেদন কৰিব লাগে।
- এই আবেদন পত্ৰ পূৰ্ণ কৰাৰ পাছত নিকটৱৰ্তী বেংকলৈ যাব লাগে আৰু প্ৰপত্ৰসমূহ জমা কৰিব লাগে।
- আবেদনকাৰীয়ে প্ৰপত্ৰত থকা সকলো তথ্য শুদ্ধভাৱে ভৰ্তি কৰিব লাগে। আধাৰ নম্বৰৰ পৰা আদি কৰি অন্যান্য প্ৰপত্ৰসমূহৰ ফটোকপি জমা দিব লাগে।
- ইয়াৰ পাছত বেংক কৰ্তৃপক্ষই প্ৰপত্ৰসমূহ পৰীক্ষা কৰিব আৰু প্ৰয়োজনীয় বিচাৰ প্ৰক্ৰিয়াৰ পাছত এমাহৰ ভিতৰত আবেদনকাৰীয়ে বিচৰা ধন তেওঁলোকৰ বেংক একাউন্টত সোমাব।

| বিত্তীয় বৰ্ষ | ঋণৰ পৰিমাণ | মুঠ ধনৰ পৰিমাণ | মোকলাই দিয়া ধন |
|---|---|---|---|
| ২০১৫-১৫ | ৩.৪৯ কোটি | ১,৩৭,৪৪৯.২৭ টকা | ১,৩২,৯৫৪.৭৩ টকা |
| ২০১৬-১৭ | ৩.৯৭ কোটি | ১,৮০,৫২৮.৫৪ টকা | ১,৭৫,৩১২.১৩ টকা |
| ২০১৭-১৮ | ৪.৮১ কোটি | ২,৫৩,৬৭৭.১০ টকা | ২,৪৬,৪৩৭.৪০ টকা |
| ২০১৮-১৯ | ৫.৯৯ কোটি | ৩,২১,৭২২.৭৯ টকা | ৩,১১,৮১১.৩৮ টকা |
| ২০১৯-২০ | ৬.২৩ কোটি | ৩,৩৭,৪৯৫.৫৩ টকা | ৩,২৯,৭১৫.০৩ টকা |
| ২০২০-২১ | ৩.৮৮ কোটি | ২,৪৭,৬৬২.৮৮ টকা | ২,৩৩,২৭৪.৬৭ টকা |

মুদ্ৰা ৱেবচাইটৰ তথ্য মতে

এটা সময় আছিল যেতিয়া বেংকৰ ঋণ কেৱল সেইসকল ব্যক্তিয়েহে লাভ কৰিছিল যিসকলে পৰিচয় পত্ৰ বা নিশ্চয়তা দিব পাৰিছিল। এই পদ্ধতিয়ে পাছপৰা দৰিদ্ৰ শ্ৰেণীৰ লোকৰ বাবে যথেষ্ট অসুবিধাৰ সৃষ্টি কৰিছিল, ইয়াৰোপৰি তেওঁলোক সঘনাই মহাজনজাতীয় লোকৰ (অসংগঠিত) পৰা নূন্যতম পৰিমাণৰ ঋণ লৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু এতিয়া কথাবোৰ সলনি হৈছে। ইতিমধ্যেই প্ৰায় ১৫ লাখ কোটি টকা ক্ষুদ্ৰ ব্যৱসায়ীক দিয়া হৈছে আৰু ইয়াৰে অধিকাংশই অনুসূচিত জাতি-জনজাতি আৰু পাছপৰা শ্ৰেণীৰ লোক। ■

# এতিয়াৰ পৰা স্বাস্থ্য খণ্ডৰ বাবে সুৰক্ষিত পুঁজি



*সুস্থ জীৱন এখন দেশৰ বাবে ইমানেই প্ৰয়োজনীয় যে নাগৰিকৰ জীৱন কাল এটা বছৰৰ বাবেও বৃদ্ধি পালে দেশৰ মুঠ ঘৰুৱা উৎপাদন ৪শতাংশলৈ বৃদ্ধি হয়। স্বাস্থ্য খণ্ডত কৰা বিনিয়োগে লক্ষাধিক নিয়োগ সৃষ্টি কৰে আৰু বিশেষত কৰ্মসংস্থাপনৰ জড়িয়তে মহিলাসকলৰ বাবে বিশেষ সুবিধাৰ সৃষ্টি হয়। এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই ২০১৮চনৰ বিত্তীয় বাজেটত বিত্তমন্ত্ৰীয়ে আয়ুস্মান ভাৰত আঁচনি মুকলি কৰি শিক্ষা খণ্ডৰ ৩শতাংশ চেছৰ (উপকৰ) ঠাইত ৪শতাংশ শিক্ষা আৰু স্বাস্থ্য চেছ লগোৱাৰ কথা ঘোষণা কৰিছিল। এতিয়া চৰকাৰে স্বাস্থ্য চেছক(উপকৰ) এক বিশেষ পুঁজিত ৰাখিৰ বিচাৰিছে যাতে স্বাস্থ্য খণ্ডৰ ধন নন লেপছেব'ল নহয় আৰু নাগৰিকে স্বাস্থ্যখণ্ডত সুবিধাবোৰ নিৰন্তৰ লাভ কৰে।*



**সিদ্ধান্তঃ** সকলোকে স্বাস্থ্য সম্বন্ধীয় সেৱা-সুবিধা লাভ কৰোঁৱাৰ উদ্দেশ্যৰে কেন্দ্ৰ চৰকাৰে প্ৰধানমন্ত্ৰী স্বাস্থ্য সুৰক্ষা নিধিৰ (পিএমএছএছএন) ঘোষণা কৰিছে।

**লাভালাভঃ**

- এতিয়া পৰা সকলোৱে বিশ্বজনীন স্বাস্থ্য সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। কোনো এক বিত্তীয় বৰ্ষত স্বাস্থ্য খণ্ডৰ বাবে নিৰ্ধাৰিত ধন প্ৰয়োগ কৰিব নোৱাৰিলে সেয়া লেপছ মানে খৰচ নোহোৱাকৈ শেষ হোৱা নুবুজাব আৰু পৰৱৰ্তী বিত্তীয় বৰ্ষলৈ সেই ধন যাব। এই সিদ্ধান্তই স্বাস্থ্য খণ্ডৰ উন্নয়নত সহায় কৰিব।
- ইয়াৰ অৰ্থ এয়াই যে ৰাজহুৱা হিচাপ বহীত স্বাস্থ্য খণ্ডৰ বাবে নন-লেপছেব'ল পুঁজি নিৰ্ধাৰিত হ'ব।
- স্বাস্থ্য আৰু শিক্ষা উপকৰৰ পৰা হোৱা স্বাস্থ্যৰ আয় পিএমএছএছএনলৈ যাব।
- এই আয়ৰ ধন স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ ধ্বজাবাহক আঁচনিবোৰ ৰূপায়নত ব্যৱহাৰ কৰা হ'ব, যেনেঃ
- আয়ুস্মান ভাৰত - প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা।
- আয়ুস্মান ভাৰত - স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ।
- ৰাষ্ট্ৰীয় স্বাস্থ্য মিশ্বন।
- প্ৰধানমন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনা।
- স্বাস্থ্যখণ্ডত আপাতকালীন আৰু দুৰ্যোগ প্ৰস্তুতি আৰু প্ৰশমনৰ বাবে।
- ২০১৭চনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিৰ (এনএইচপি) লক্ষ্য অনুসৰি যিকোনো ধৰণৰ স্বাস্থ্য সম্পৰ্কীয় উমৈহতীয়া উদ্দেশ্য সফল কৰা। ■



# জন ঔষধি কেন্দ্রঃ মানৱ সেৱাত

প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধি কেন্দ্ৰই (পিএমবিজেপি) সকলো বয়সৰ লোকৰ স্বাস্থ্যজনিত প্ৰয়োজনবোৰ পূৰণ কৰি আছে। শিশুৰ পৰা প্ৰাপ্তবয়স্কলৈ, মহিলাৰ পৰা বয়োজেষ্ঠ্যলৈ, পিএমবিজেপিয়ে সকলো সুলভমূল্যত ঔষধৰ যোগান ধৰি আহিছে। অলপতে প্ৰধানমন্ত্ৰীয়ে ৭৫০০ নম্বৰৰ জন-ঔষধি কেন্দ্ৰৰ উদ্বোধন কৰি এই আঁচনিৰ প্ৰসাৰতা বৃদ্ধি কৰে।

মই উচ্চ ৰক্তচাপ, মধুমেহ ৰোগ আৰু হৃদয়ৰ ৰোগত আক্ৰান্ত। মই প্ৰতিমাহে বজাৰৰ পৰা ৫ৰ পৰা ৬ হাজাৰ টকা ঔষধৰ নামত খৰচ কৰিবলগীয়া হৈছিল। কিন্তু যি মুহূৰ্তৰ পৰা প্ৰধানমন্ত্ৰী জন-ঔষধি কেন্দ্ৰ খোলা হৈছে, তেতিয়াৰ পৰা মই এই একেই পৰিমাণৰ ঔষধৰ নামত মাত্ৰ ৮০০-১০০০ টকা খৰচ কৰিবলগীয়া হৈ আহিছে। এই কথা ব্যক্ত কৰি হিমাচল প্ৰদেশৰ সৰোগ গাঁৱৰ কৃষ্ণ ভাৰ্মা আৱেগিক হৈ পৰে আৰু জন-ঔষধি আঁচনি গ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেৱদূত আখ্যা দিয়ে।

প্ৰকৃতাৰ্থত ২০১৪চনৰ পাছৰ পৰা জন-ঔষধি কেন্দ্ৰ মুকলি হোৱা কাৰ্যই দেশত এক প্ৰকাৰ আন্দোলনৰ সৃষ্টি কৰিছে আৰু ইয়ে দেশৰ দৰিদ্ৰ তথা মধ্যবিত্তৰ বাবে আশীৰ্বাদস্বৰূপ হৈ পৰিছে। এই আঁচনিৰ মুখ্য উদ্দেশ্যই হৈছে দৰিদ্ৰজনৰ বাবে সুলভ মূল্যত ঔষধৰ যোগান ধৰা। সেয়েহে দেশত জন-ঔষধি কেন্দ্ৰ এখন পাছত আনখন স্থাপন কৰা হৈ আহিছে। বিগত ৭মাৰ্চ তাৰিখে জন-ঔষধি দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্বিলঙত ৭৫০০ নম্বৰৰ জন-ঔষধি কেন্দ্ৰৰ শুভ-উদ্বোধন কৰে।

## দৰিদ্ৰজনক সহায়

- দেশত দুৰ্গম অঞ্চলৰ পৰা আৰম্ভ কৰি মেট্ৰ' চহৰলৈ এই জন-ঔষধি কেন্দ্ৰ আছে।
- চিকিৎসা সম্বন্ধীয় সামগ্ৰীৰ লগতে ১৪০০ৰো অধিক ঔষধ, ছেনিটেৰী পেড, চিৰিঞ্জ আৰু প্ৰায় ২০৪বিধ অস্ত্ৰোপ্ৰচাৰ সম্বন্ধীয় সামগ্ৰী বজাৰ মূল্যতকৈ ৫০-৯০ শতাংশ ৰেহাই মূল্যত যোগান ধৰা হয়।
- বিগত ৬বছৰত প্ৰায় ১০লাখ ৰোগীক সুলভ মূল্যত ঔষধ যোগান ধৰাৰ ফলত ৰাইজৰ ৯ হাজাৰ কোটি টকাৰ সঞ্চয় হৈছে।
- এই ঔষধবোৰ উন্নত মানৰ কিয়নো বিশ্ব স্বাস্থ্য সংস্থা আৰু জিএমচিয়ে প্ৰমাণিত(মান্যতা দিয়া) কৰা ঔষধহে ক্ৰয় কৰা হয়।
- এনএবিএল পৰীক্ষাগাৰত উপযুক্ত পৰীক্ষা-নিৰীক্ষাৰ অন্তত‌হে এই ঔষধবোৰ জন-ঔষধি কেন্দ্ৰত যোগান ধৰা হয়।

প্ৰধানমন্ত্ৰীয়ে কয়, ৭৫০০ খন জন-ঔষধি কেন্দ্ৰ স্থাপন কৰাতো গৌৰৱৰ কথা। যিসময়ত দেশত ১০০খনো এনে কেন্দ্ৰ নাছিল তেনেস্থলত বিগত ২০১৪ চনৰ পাছৰ পৰা এইদৰে এই কেন্দ্ৰ স্থাপন হোৱা কথাটো ভাল কথা। আশা কৰোঁ আমি শীঘ্ৰেই ১০ হাজাৰ কেন্দ্ৰ স্থাপনৰ লক্ষ্য অতিক্ৰম কৰিব পাৰোঁ। ■

## জন-ঔষধি কেন্দ্ৰঃ সকলোকে শুশ্ৰুষা আগবঢ়াই



"জন-ঔষধি বচপন"ৰ অধীনত শিশুৰ বাবে ডাইপাৰ



"জন-ঔষধি জননী" আভিযানৰ অধীনত অন্তঃসত্বাৰ শুশ্ৰুষা



"জন-ঔষধি স্বাভিমান"ৰ অধীনত জেষ্ঠ্যসকলৰ বাবে ডাইপাৰ



ধপাতৰ পৰা মুক্ত কৰিবলৈ "জনঔষধি নিৰ্মল"



বিভিন্ন ধৰণৰ জটিল বেমাৰৰ ঔষধৰ মূল্য নিৰ্দ্ধপনৰে ৫০৬৬ কোটি সঞ্চয়



জন-ঔষধি কেন্দ্ৰৰ পৰা ঔষধ ক্ৰয়ৰ ফলত জনতাৰ ৯ হাজাৰ কোটি সঞ্চয়

কৰ'নাৰ বিৰুদ্ধে যুদ্ধ

# ভেকচিন মৈত্ৰী

## বিশ্বৰ বাবে ভাৰতৰ সঞ্জীৱনী

কৰ'নাৰ বিৰুদ্ধে চলা যুদ্ধখনত ভাৰতে লোৱা পদক্ষেপবোৰক বিশ্বই প্ৰশংসা কৰিছে। ইতিমধ্যে ভাৰতে প্ৰদান কৰি থকা টিকাকৰণৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে। মাৰ্চ ১৬ তাৰিখলৈ ভাৰতে ৭১ খন দেশক ৫.৮৬ কোটি পালি কৰ'নাৰ ভেকচিন প্ৰদান কৰিছে আৰু ইয়াৰ ভিতৰত ৮১.২৫লাখ ভেকচিন ৩৬খন দেশক উপহাৰ হিচাপে দিয়া হৈছে...



প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

*"মই সকলোকে প্ৰক্ৰিয়া অনুসৰি ভেকচিন ল'বলৈ আহ্বান জনাইছোঁ, এই ভেকচিন লোৱা কাৰ্যৰ জড়িয়তেহে দেশৰ পৰা কৰ'না মহামাৰী নিৰ্মূল হ'ব।"*

ভেকচিন লোৱাৰ পাছত এই আহ্বান জনাই ১০২বছৰীয়া শ্যাম চৰণ নেগীয়ে। হিমাচল প্ৰদেশৰ কিন্নুৰৰ নিবাসী স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ভোটাৰ নেগীয়ে কৰ'নাৰ ভেকচিন ল'বলৈ যোৱাৰ সময়ত সকলো স্বাস্থ্য কৰ্মীয়ে তেওঁক আদৰনি জনাই। বাংগালুৰুৰ ১০৩বছৰীয়া জে কামাশ্বেৰী (দেশত ভেকচিন লোৱা প্ৰথমগৰাকী জেষ্ঠ্য নাগৰিক) সম্পূৰ্ণৰূপে সুস্থ। ৰাঁচীৰ তামাৰ ব্ল'কৰ নিবাসী ৮০বছৰীয়া ৰামকিশোৰ চাহুৰে ৬৮কিঃমিঃ মটৰ চাইকেলত যাত্ৰা কৰি কৰ'নাৰ টিকা লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃ এশ বছৰীয়া হীৰা বেনেও ইতিমধ্যে কৰ'নাৰ টিকা লৈছে আৰু সম্পূৰ্ণৰূপে সুস্থ হৈ আছে।

ভাৰতত ক'ভিড টিকাকৰণ অভিযানৰ দ্বিতীয় পৰ্যায়ৰ এয়া কেইটামান উদাহৰণ। কৰ'না নিৰ্মূলীকৰণৰ বাবে ভাৰতে বৰ্তমান বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযান অব্যাহত ৰাখিছে। এই টিকাকৰণৰ প্ৰথম পৰ্যায়ত ভাৰতে স্বাস্থ্য কৰ্মী তথা স্বচ্ছতা কৰ্মী সমন্বিতে সন্মুখৰ পৰা কাম কৰি থকা স্বাস্থ্য কৰ্মীসকলক টিকা দিয়ে। প্ৰথম পৰ্যায়ত ৬০ বছৰৰ উৰ্ধৰ আৰু ১ মাৰ্চৰ পৰা আৰম্ভ হোৱা দ্বিতীয় পৰ্যায়ত ৪৫ৰ পৰা ৬০বছৰৰ মাজৰ লোকক (অন্যান্য বেমাৰত ভুগি থকা) টিকা দিয়া হৈছে।

### হৰিদ্বাৰৰ কুম্ভমেলাত কেন্দ্ৰীয় দল...

এপ্ৰিলৰ পৰা আৰম্ভ হোৱা হৰিদ্বাৰৰ কুম্ভ মেলাৰ বাবে কেন্দ্ৰ চৰকাৰে সকলোধৰণৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। এই মেলাত কেন্দ্ৰ চৰকাৰে বিশেষজ্ঞ চিকিৎসকৰ দল নিয়োগ কৰাৰ লগতে চৰকাৰী বিষয়াক পৰ্যৱেক্ষণৰ দায়িত্ব দিছে। এইসকলে কৰ'নাৰ প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্ব দিছে।

# ভাৰতৰ ভেকচিন মৈত্ৰী অনুষ্ঠানক বিশ্ববাসীয়ে প্ৰশংসা কৰিছে




- সমগ্ৰ বিশ্বতেই কৰ'নাৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ভাৰতে লোৱা পদক্ষেপেবোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। বিশ্ব স্বাস্থ্য সংস্থা আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ মুখ্য অৰ্থনীতিবিদ গীতা গোপীনাথে কৈছে যে ভাৰতে কৰ'নাৰ ভেকচিন তথা এই মহামাৰী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত লোৱা পদক্ষেপবোৰ অন্যৰ বাবে অনুপ্ৰেৰণা।
- ভেকচিন মৈত্ৰীৰ অধীনত ভাৰতে ইতিমধ্যে ৫.৮৬ কোটি কৰ'না ভেকচিন বিশ্বৰ ৭১ খন দেশলৈ প্ৰেৰণ কৰিছে, ইয়াৰ ভিতৰত ৮১.২৫ লাখ পালি ভেকচিন ৩৬খন দেশলৈ উপহাৰস্বৰূপে প্ৰেৰণ কৰা হৈছে।
- ৱেষ্ট ইণ্ডিজৰ বিখ্যাত ক্ৰিকেট খেলুৱৈ ভিভিয়ান ৰিচাৰ্ডছ, জিমি এডামছ আৰু ৰাম নৰেশ শ্ৰৱণে এন্টিগুৱা আৰু বাৰ্বাডোজক ভেকচিন প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাইছে।
- ১৬ মাৰ্চ তাৰিখে ভাৰতীয় সংসদৰ কেন্দ্ৰীয় কক্ষত অনুষ্ঠিত সভাত সাংসদসকলক সম্বোধন কৰি আন্তঃ সংসদীয় সংঘৰ অধ্যক্ষ ডুৱাৰ্তে পাছেক'ই কয় যে ভাৰতে ভেকচিনৰ জড়িয়তে বিশ্বক সহায় কৰিছে।

## কৰ'না নিয়ন্ত্ৰণৰ বাবে ঔষধৰ লগতে কঠোৰ নীতি-নিয়ম পালন কৰাতো প্ৰয়োজনীয়...

| স্বাস্থ্য কৰ্মী | ফ্ৰন্টলাইন কৰ্মী | ৪৫ৰ পৰা ৬০বছৰৰ মাজৰ লোক (সংক্ৰমিতৰ সম্পৰ্কত থকা) | ৬০বছৰৰ ওপৰৰ |
|---|---|---|---|
| প্ৰথম পালি ৭৪,০৮,৫২১ | প্ৰথম পালি ৭৪,২৬,৪৭৯ | প্ৰথম পালি ১৬,৯৬,৪৯৭ | প্ৰথম পালি ৯৫,১৯,০২৪ |
| দ্বিতীয় পালি ৪৩,৯৭,৬১৩ | দ্বিতীয় পালি ১৩,২৩,৬২৭ | | |




এই তথ্য স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰা লোৱা হৈছে। ১৫ মাৰ্চ, ২০২১ৰ ৭ বজালৈ এই তথ্য।

# কেইখনমান ৰাজ্যত পুনৰ বাঢ়িব ধৰিছে কৰ'না ৰোগী...





মুঠ সক্ৰিয় আক্ৰান্ত ৰোগীঃ
**২,২৩,৪৩২**

| ১,১০,২৭,৫৪৩ | ১,৫৮,৮৫৬ৰ | ৯৬.৬৫% |
|---|---|---|
| সুস্থ হৈ উঠা ৰোগী | মৃত্যু | সুস্থ হৈ উঠাৰ হাৰ |

মৃত্যুৰ হাৰ **১.৩৯%**

**মুঠ পৰীক্ষাঃ** ২২,৮২,৮০৭৬৩টা নমুনা ২৪১৬ খন চৰকাৰী আৰু ব্যক্তিগত পৰীক্ষাগাৰত পৰীক্ষা কৰা হৈছে।

*এই তথ্য ১৫ মাৰ্চ, ২০২১লৈ

ভাৰতত টিকাকৰণ অভিযান আৰম্ভ হোৱাৰ দিনধৰি ১৫ মাৰ্চ তাৰিখলৈ (৫৯সংখ্যক দিন) ৩.১৭কোটি লোকক কৰ'না ভেকচিন দিয়া হৈছে। ভেকচিন দি থকা হোৱা দেশৰ তালিকাত ভাৰত চতুৰ্থ স্থানত আছে। ■

- ভাৰতৰ কেইখনমান ৰাজ্যত পুনৰ কৰ'না ৰোগীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। মাৰ্চ মাহৰ ১৫ তাৰিখলৈ পোৱা তথ্যমতে মহাৰাষ্ট্ৰ, পঞ্জাৱ, কৰ্ণাটক, গুজৰাট আৰু তামিলনাডুত পুনৰ কৰ'না সক্ৰিয় হৈছে। মাৰ্চ মাহৰ প্ৰথম ১৫টা দিনত প্ৰায় ২.৯৭ লাখ নতুন কৰ'না ৰোগী পোৱা গৈছে। এই ৰোগী উল্লেখ কৰা ৫ খন ৰাজ্যত পোৱা গৈছে। শেহতীয়াকৈ দিল্লী আৰু হাৰিয়ানাতো ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে।
- ইয়াৰ পৰিপ্ৰেক্ষিতত মহাৰাষ্ট্ৰৰ কেইবা ঠাইত আংশিক লকডাউনৰ ঘোষণা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হৈ পৰিস্থিতিৰ বুজ লৈ আছে।

# মৈত্ৰী সেতুঃ এটা নতুন বাণিজ্যিক কৰিডʼৰ



**প্ৰতিৱেশী ৰাষ্ট্ৰ বাংলাদেশৰ সৈতে ভাৰতৰ সম্পৰ্ক সুদৃঢ় হোৱাৰ লগতে ব্যাপাৰ-বাণিজ্যৰ দিশটোতো যথেষ্ট অগ্ৰগতি লাভ কৰিছে। বিভিন্ন পথৰ সংযুক্তিকৰণেৰে (নতুন কৰিডʼৰ) উত্তৰ-পূব ভাৰতৰ সৈতে বাংলাদেশৰ ব্যৱসায়-বাণিজ্য বৃদ্ধি পাইছে।**


যেতিয়া এখন দলঙ নিৰ্মাণ হয় তেতিয়া দুটা অংশ সংযুক্ত হৈ পৰে। এখন দলঙে দুখন ঠাইক মিলনস্থলীলৈ পৰিৱৰ্তিত কৰে। দক্ষিণ ত্ৰিপুৰাৰ ফেনী নদীৰ ওপৰত নিৰ্মান হোৱা দলঙখনেও সেই একেই কাম কৰিছে। ভাৰতীয় সীমাৰ দক্ষিণ ফালে ত্ৰিপুৰা আৰু উত্তৰফালে থকা বাংলাদেশৰ মাজৰ সংযোগীকৰণে নতুন দিগন্তৰ সূচনা কৰিছে। মৈত্ৰী সেতু নাম পোৱা এই নতুন দলঙখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৯মাৰ্চ তাৰিখে উদ্বোধন কৰে। ভাৰ্চুৱেল মাধ্যমত অনুষ্ঠিত হোৱা শুভ উদ্বোধনী অনুষ্ঠানত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাও উপস্থিত থাকে। উল্লেখ্য যে বাংলাদেশ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে এই দলঙখনৰ আধাৰশিলা স্থাপন কৰিছিল।

ভাৰত-বাংলাদেশৰ মাজৰ যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণ কৰাৰ লগতে এই দলঙৰ নিৰ্মাণে দুয়োখন দেশৰ মাজত পৰ্যটন, ব্যৱসায়-বাণিজ্যৰ মাধ্যমত নতুন নিয়োগৰ সৃষ্টি কৰিছে। এই দলঙ উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে ত্ৰিপুৰাত একাধিক প্ৰকল্পৰো উদ্বোধন কৰে। ইয়াৰ ভিতৰত ঘাইপথ, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৪১হাজাৰ ঘৰ, জিলা পৰ্যায়ত পথ নিৰ্মাণ, আগৰতলা স্মাৰ্ট মিশ্বনৰ কাম আছে।

**জীৱন সৰলীকৰণৰ বাবে দলং নিৰ্মাণঃ**

- ১৩৩কোটি টকা ব্যয়সাপেক্ষে ফেনী নদীৰ ওপৰত নিৰ্মীত হোৱা ১.৯কিঃমিঃ দৈৰ্ঘ্যৰ এই মৈত্ৰী সেতুৱে ভাৰতৰ চাবৰুমৰ সৈতে বাংলাদেশৰ ৰামগড়ক সংযুক্ত কৰিছে।
- এই মৈত্ৰী সেতুৰ জড়িয়তে ত্ৰিপুৰা এতিয়া বাংলাদেশৰ চট্টগাম বন্দৰৰ নিকট হৈ পৰাৰ লগতে পূব ভাৰতৰ দুৱাৰমুখ হৈ পৰিল কিয়নো সবৰুম-ৰামগড়ৰ পৰা চট্টগামৰ দূৰত্ব মাথো ৮০কিঃমিঃ।
- এই মৈত্ৰী সেতুৱে নিশ্চিতভাৱেই দুয়োখন দেশৰ ব্যাপাৰ বাণিজ্যৰ সম্পৰ্ক উন্নত কৰিব।
- সাবৰুমত একত্ৰিত চেকপোষ্ট নিৰ্মানৰ কামো ইতিমধ্যেই আৰম্ভ হৈ গৈছে। এই চেকপোষ্ট দুয়োখন দেশৰ মাজত আদান-প্ৰদানৰ সহায়ক হʼব।
- এই মৈত্ৰীৰ সেতুৰ উদ্বোধনৰ ফলত আন্তঃৰাষ্ট্ৰীয় চট্টগাম বন্দৰ পৰা ভাৰতৰ দূৰত্ব যথেষ্ট হ্ৰাস পালে। ■

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক



১ এপ্ৰিলৰ জন্মবাৰ্ষিকী উপলক্ষে স্মৰণ

# গুৰু টেগ বাহাদুৰঃ সাহস, ত্যাগ আৰু প্ৰেমৰ প্ৰতীক

> “বিশ্বৰ লক্ষাধিক লোকৰ দৰে মইও গুৰু টেগ বাহাদুৰৰ অসীম কৃপাৰ দ্বাৰা অনুপ্ৰাণিত”
> **নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

যি সময়ত অন্য কিশোৰ খেলপথাৰ আৰু শিক্ষাৰ মাজত ব্যস্ত হৈ থাকে সেই সময়তেই মাথো ১৪ বছৰ বয়সত ত্যাগ মল নামৰ কিশোৰজন মোগলৰ বিৰুদ্ধে যুঁজ দিয়াত ব্যস্ত আছিল। এই বীৰত্ব প্ৰদৰ্শনৰ বাবেই তেওঁক টেগ বাহাদুৰ মানে “তৰোৱালৰ ধনী” নাম দিয়া হয় আৰু পাছলৈ এইজনা মহান ব্যক্তি শিখ ধৰ্মালম্বীৰ নৱম গুৰু হিচাপে প্ৰতিষ্ঠা লাভ কৰে...

অমৃতসৰত জন্মগ্ৰহণ কৰা গুৰু টেগ বাহাদুৰ শিখসকলৰ ষষ্ঠ গুৰু হৰগোবিন্দ চাহিবৰ কণিষ্ঠ পুত্ৰ আছিল। শিখ ধৰ্মৰ অষ্টম গুৰু হৰ কিষাণ ৰায় জীৰ পাছত গুৰু টেগ বাহাদুৰ জী শিখসকলৰ নৱম গুৰু হয়। গুৰু টেগ বাহাদুৰে শিখ সকলৰ সৰ্বাংগীন উন্নয়নৰ বাবে কাম কৰাৰ লগতে জাতিটোৰ ওপৰত হোৱা শোষণৰ বিৰুদ্ধে মাত মাতিছিল।

লোকগাঁথা অনুসৰি মোগল সম্ৰাট ঔৰংজেৱৰ ৰাজদৰবাৰত এগৰাকী পণ্ডিতে ভগৱৎ গীতাৰ শ্লোকসমূহৰ পাঠ কৰিছিল। কিন্তু শুনা মতে তেওঁ গোটেইবোৰ শ্লোক সম্ৰাটৰ আগত পাঠ নকৰিছিল, গীতাৰ পৰা নিজে নিৰ্বাচিত কৰিহে কেতবোৰ শ্লোক পাঠ কৰিছিল আৰু বৰ্ণনা কৰিছিল। কিন্তু এদিন এই পণ্ডিত নৰিয়াত পৰিল, তেতিয়া উপায়ন্তৰ হৈ পণ্ডিতে নিজক পুত্ৰক বাদশ্বাহৰ ওচৰলৈ গীতাৰ শ্লোক পাঠ কৰিবলৈ পঠিয়ালে। অৱশ্যে তেওঁ পুত্ৰক গীতাৰ পৰা নিৰ্বাচিত শ্লোকহে সম্ৰাটক শুনাব লাগে বুলি ক'বলৈ পাহৰি গ'ল। সেয়েহে পণ্ডিতৰ পুত্ৰই গৈ সম্ৰাটক গীতাখন পুংখানুপুংখভাৱে পাঠ কৰি শ্লোকবোৰৰ অৰ্থ বুজাই দিলে। গীতাৰ প্ৰকৃত অৰ্থ বুজিব পাৰি ঔৰংজেৱৰ এই কথাটো স্পষ্ট হ'ল যে সকলো ধৰ্মই মহান কিন্তু তেওঁ ইমানদিনে ভাৱি আহিছিল যে ইছলামৰ বাদে অন্য ধৰ্ম উৎকৃষ্ট নহয়। অন্য ধৰ্মৰ মহত্ব উপলব্ধি কৰি তেওঁ এই সিদ্ধান্ত ল'লে যে তেওঁৰ সাম্ৰাজ্যত থকা সকলোৱে ইছলাম ধৰ্ম গ্ৰহণ কৰিব লাগিব অন্যথা মৃত্যুৰ সম্মুখীন হ'ব লাগিব। তাৰ পাছতেই তেওঁ বল প্ৰয়োগেৰে ধৰ্মান্তৰ প্ৰক্ৰিয়া আৰম্ভ কৰি দিলে। কাহিনী অনুসৰি, এই সময়তেই কেইগৰাকীমান কাশ্মীৰি পণ্ডিতে সহায় বিচাৰি গুৰু টেগ বাহাদুৰ জীৰ ওচৰ পালেগৈ। তেতিয়া গুৰু টেগ বাহাদুৰে এই বাৰ্তা ঔৰংজেৱলৈ প্ৰেৰণ কৰিলে যে যদিহে সম্ৰাটে তেওঁক ইছলাম ধৰ্মত দীক্ষিত কৰিব পাৰে তেন্তে অন্য সকলোৱে ইছলাম গ্ৰহণ কৰিব। অনুৰূপভাৱেই এই ঘোষণাই ঔৰংজেৱক ক্ষোভিত কৰি তুলিলে আৰু সৈন্য পঠিয়াই গুৰু টেগ বাহাদুৰ জীক আটক কৰি আনিলে। গুৰু টেগ বাহাদুৰ আৰু তেওঁৰ সমৰ্থকক কেইবাদিনো অবৰ্ণনীয় অত্যাচাৰ কৰিলে কিন্তু তেওঁলোকৰ ধৰ্মান্তৰকৰণ কৰিব নোৱাৰিলে। শেষত উপায়ন্তৰ হৈ ঔৰংজেৱে গুৰু টেগ বাহাদুৰৰ শিৰচ্ছেদৰ আদেশ দিলে। দিল্লীৰ চান্দনী চ'ক এলেকাত থকা ৰাকৱগঞ্জ গুৰুদ্বাৰৰ ঠাইতেই গুৰু টেগবাহাদুৰে ধৰ্ম ৰক্ষাৰ বাবে বলিদান দিছিল। ত্যাগ আৰু বলিদানৰ প্ৰতীক গুৰু টেগ বাহাদুৰ জীয়ে গুৰু গ্ৰন্থ চাহিবৰ বাবে ৫৭টা শ্লোকৰ ওপৰি ১৫টা ৰাগ ৰছনা কৰি ১১৬ সবাদ সংযোজন কৰিছে। ■

# পৌৰাণিক কালৰ পৰাই ভাৰতীয় কৰ্মস্পীহাৰ প্ৰতীক হৈছে শ্ৰীমদ্ভাগৱত গীতা

**কৰ'না কালেই হওক বা মহাভাৰতৰ যুগৰ পৰা আৰম্ভ কৰি স্বাধীনতা সংগ্ৰামলৈ, এই সকলোতে "গীতা"ই ৰাষ্ট্ৰৰ পথ পদৰ্শকৰ কাম কৰি আহিছে। এই গ্ৰন্থ ভাৰতীয় ঐক্যতা আৰু সমণ্বয়তাৰ আদিপাঠ। গীতাৰ ত্ৰয়োদশ অধ্যায়ৰ অষ্টবিংশতিতম শ্লোকটো হৈছে-**
**समं सर्वेषु भूतेषु तिष्ठन्तं परमेश्वरम्।**
**विनश्यत्स्वविनश्यन्तं य: पश्यति स पश्यति॥**
**অৰ্থাৎ পৰামাত্মা সকলো জীৱৰ অন্তৰত বাস কৰে... এই প্ৰেৰণাকেই সৰোগত কৰি প্ৰধানমন্ত্ৰীয়ে শ্ৰীমদ্ভাগৱত গীতাৰ পাণ্ডুলিপি আৰু ই-বুক উন্মোচন কৰে।**



শ্ৰীমদ্ভাগৱত গীতা কেৱল পৌৰাণিক গ্ৰন্থই নহয়, এয়া হৈছে এখন মানসিক প্ৰশান্তিৰ পুথি যিখনে যুগ যুগ ধৰি ৰাষ্ট্ৰ আৰু মণিষীসকলক পৰামৰ্শ দি আহিছে। যিসময়ত কৰ'নাৰ দৰে মহামাৰীয়ে বিশ্বৰ সকলোকে দিশহাৰা কৰি তুলিছে তেনে সময়ত গীতাৰ মহত্ব বাৰে বাৰে উপলব্ধি কৰা হৈছে। এই কথাৰ গুৰুত্ব বুজিয়েই প্ৰধানমন্ত্ৰীয়ে মাৰ্চ মাহৰ প্ৰথমটো পষেকত শ্ৰীমদ্ভাগৱত গীতাৰ পাণ্ডুলিপি আৰু গীতাৰ শ্লোকবোৰৰ ওপৰত ২১গৰাকী বিদ্বান ব্যক্তিৰ দুৰ্লভ বাখ্যাৰ উন্মোচনী কৰাৰ লগতে ভিদিঅ' কনফাৰেন্সিঙৰ জড়িয়তে স্বামী চিদ্ভৱানন্দাৰ ভগৱত গীতাৰ কিণ্ডল সংস্কৰণো উন্মোচন কৰা হয়। "শ্ৰীমদ্ভাগৱত গীতাঃ দুস্প্ৰাপ্য একাধিক সংস্কৃত বাখ্যাৰ মূল হস্তলিপি"ৰ ১১টা সংস্কৰণ উন্মোচন কৰা হয়। উল্লেখ্য যে, স্বামী চিদ্ভৱানন্দাৰ ভগৱত গীতাৰ ৫লক্ষাধিক বিক্ৰীৰ প্ৰতি লক্ষ্য ৰাখি এই গ্ৰন্থৰ কিণ্ডল সংস্কৰণ উন্মোচন কৰা হয়। স্বামী চিদ্ভৱানন্দা হৈছে তামিল নাডুৰ শ্ৰী ৰামাকৃষ্ণা তপোবন আশ্ৰমৰ প্ৰতিষ্ঠাতা।


**প্ৰধানমন্ত্ৰীৰ ভাষণৰ কেইটামান বিন্দুঃ**

- গীতা হৈছে ভাৰতীয়ৰ আদৰ্শগত, বিচাৰৰ স্বাধীনতা আৰু সহিষ্ণুতাৰ প্ৰতীক। গীতাই প্ৰতিগৰাকী ভাৰতীয়ক প্ৰতিটো বিষয়ত নিজৰ দৃষ্টিকোণ ৰাখিবলৈ প্ৰেৰণা দিয়ে।
- আদি শংকৰাচাৰ্যৰ বাবে গীতা আছিল আধ্যাত্মিক চেতনাৰ প্ৰতীক, একেদৰে স্বামী বিবেকানন্দৰ বাবে কৰ্মনিষ্ঠা আৰু আত্মবিশ্বাসৰ প্ৰতীক।
- শ্ৰী অৰবিন্দোৰ বাবে গীতা আছিল জ্ঞান আৰু প্ৰজ্ঞাৰ অৱতাৰ, মহাত্মা গান্ধীৰ কঠিন দিনৰ সময়ত গীতাই পথ প্ৰদৰ্শকৰ কাম কৰিছিল।
- গীতা নেতাজী সুভাষ চন্দ্ৰ বসুৰ বাবে ৰাষ্ট্ৰভক্তি আৰু পৰাক্ৰমৰ প্ৰতীক আছিল, এই গীতাৰ উচ্চাৰণৰে বাল গংগাধৰ তিলকে স্বাধীনতা আন্দোলনলৈ প্ৰাণ আনিছিল।
- আমি আমাৰ নৱ প্ৰজন্মক গীতাৰ সৈতে পৰিচয় কৰাই এইবিষয়ে অৱগত কৰিব লাগে যে কিদৰে গীতাই দেশৰ স্বাধীনতা আন্দোলনক নতুন মাত্ৰা দিছিল, যুৱপ্ৰজন্ম চেতনা জাগ্ৰত কৰিছিল।
- এই ই-কিতাপখনে গীতা গ্ৰন্থক বিশ্বৰ তামিল জনসাধাৰণৰ মাজলৈ লৈ যাব। নৱপ্ৰজন্মৰ মাজত ই-বুকৰ জনপ্ৰিয়তাই গীতাৰ আধ্যাত্মিক দিশটোৰ সৈতে যুৱচামক আকৰ্ষিত কৰিব। ■

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

# কোৱাডঃ ভাৰত-প্ৰশান্তীয় অঞ্চলত স্থিৰতাৰ স্তম্ভ

ইণ্ডো-পেচিফিক অঞ্চলত ব্যৱসায় থকাৰ লগতে ৰণনীতি সম্বন্ধীয় গুৰুত্ব আছে। **কোৱাডে** এইসমূহ বিষয়ৰ সমন্বয়কৰ কামেই কৰা নহয় লগতে অঞ্চলটোৰ অন্যান্য দেশৰ স্বাৰ্থ সুৰক্ষাৰ ক্ষেত্ৰতো আগভাগ ল'ব পাৰিব। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত স্থিৰতাৰ স্তম্ভ হিচাপে **কোৱাড** থাকিব।



বিশ্বৰ অন্য শক্তিৰ সমানে সমানে ভাৰত আগবঢ়াৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰতৰ গুৰুত্ব সৰ্বাধিক। ২১ মাৰ্চ তাৰিখে অনুষ্ঠিত হৈ যোৱা কোৱাড্ৰিলেটাৰেল ছিকিউৰীটি ডাইল'গ চমুকৈ কোৱাড (চতুৰ্ভুজীয় সুৰক্ষা সংবাদ) শীৰ্ষক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেন, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছ'ন আৰু জাপানৰ প্ৰধান মন্ত্ৰী য়শ্বিহীদ ছুগাই অংশগ্ৰহণ কৰে। এই বৈঠকত অংশগ্ৰহণকাৰী ৰাষ্ট্ৰপ্ৰধানসকলে সমসাময়িক প্ৰত্যাহ্বান যেনে সুস্থিৰ যোগান শৃংখলা, অত্যাধুনিক প্ৰযুক্তি, সমুদ্ৰ বাণিজ্যৰ নিৰাপত্তা আৰু জলবায়ু পৰিৱৰ্তন সংক্ৰান্তীয় বিষয়ৰ ওপৰত বিশ্লেষণ কৰে। আৰু লগতে ভাৰত-প্ৰশান্তীয় অঞ্চলৰ দেশবোৰৰ পৰা দূৰৈত অৱস্থিত দেশবোৰৰ মাজতো কোৱাডে সমন্বয়কৰ কাম কৰিব।

এয়া প্ৰথমবাৰৰ বাবে এনে হৈছে যে তিনিখনকৈ মন্ত্ৰীস্তৰৰ বৈঠকৰ অন্তত চাৰিখনকৈ দেশৰ ৰাষ্ট্ৰপ্ৰধানে এইদৰে বৈঠকত মিলিত হৈছে। এই বৈঠকত কোভিড-১৯ৰ সৈতে মোকাবিলা কৰাৰ বাবে আলোচনা হোৱাৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাইৰাছক প্ৰতিহিত কৰাৰ বাবে সুৰক্ষিত আৰু সস্তীয়া টিকা সুনিশ্চিত কৰাৰ বাবেও চিন্তা-চৰ্চা ব্যক্ত কৰা হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত-প্ৰশান্ত ক্ষেত্ৰৰ স্থিৰতাৰ বাবে কোৱাড হৈ পৰিব এক শক্তিশালী স্তম্ভ। ■

## কোৱাড কি হয়?

*ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আৰু অষ্ট্ৰেলিয়াৰ মাজত স্থাপন হোৱা এখন কূটনৈতিক-ৰণনীতিৰ মঞ্চ। এই মঞ্চই সুৰক্ষাজনিত খবৰ আদান প্ৰদান কৰাৰ লগতে যৌথভাৱে সামৰিক অনুশীলন চলাব। এতিয়ালৈ এয়া কেৱল বৈদেশিক মন্ত্ৰীৰ পৰ্যায়তেই অনুষ্ঠিত হৈ আহিছিল। এই ধাৰণাটোক বাস্তৱায়িত কৰাৰ উদ্দেশ্য হৈছে যৌথ সুৰক্ষা, পৰিৱেশ, ব্যৱসায় আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ অন্যান্য বিষয়সমূহ সামৰি লৈ ইয়াৰ সমাধান বিচৰা। এই চাৰিওখন দেশৰ উমৈহতীয়া সন্মতিত প্ৰতিবছৰে যৌথ সামৰিক ড্ৰিল হৈ থাকে।*

### ভেকচিন অংশীদাৰিত্ব

- কোভিড-১৯ মহামাৰীক নিৰ্মূল কৰাৰ বাবে কোৱাডে অংশীদাৰিত্বত ব্যৱস্থা গ্ৰহণ কৰিব।
- বিশ্ব স্বাস্থ্য সংস্থা আৰু কোভাক্সৰ সহযোগত কোৱাড ৰাষ্ট্ৰই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত মহামাৰীৰ বিৰুদ্ধে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব।
- কোৱাড ৰাষ্ট্ৰই ভাৰতত কোভিড ভেকচিনৰ উৎপাদনৰ ওপৰত অধিক গুৰুত্ব দিব।
- কম আয়ৰ ৰাষ্ট্ৰবোৰলৈ কোৱাডে ভেকচিন প্ৰেৰণ কৰিব।

### জলবায়ুৰ ওপৰত চিন্তা

- কোৱাডে অন্য ৰাষ্ট্ৰসমূহৰ লগ হৈ পেৰিচ চুক্তি অনুসৰি জলবায়ু নিয়ন্ত্ৰণত গুৰুত্ব দিব।
- কম প্ৰদূষণযুক্ত প্ৰযুক্তিৰ বিকাশত কোৱাডে বিশেষ গুৰুত্ব দিব।

### জটিল আৰু উদ্ভাৱনী প্ৰযুক্তি

- প্ৰযুক্তি ব্যৱহাৰ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত যৌথ উদ্যোগ।
- বিভিন্ন পক্ষৰ অংশীদাৰৰ অংশগ্ৰহণেৰে প্ৰযুক্তিৰ সঠিক বিকাশ।
- টেলিক'মিউনিকেশ্বনৰ ক্ষেত্ৰখনত বিশেষ গুৰুত্ব দিয়াৰ লগতে ভৱিষ্যতৰ বাবে দূৰ-সংযোগ ক্ষেত্ৰখনত ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণেৰে উদ্ভাৱনত অধিক গুৰুত্ব।

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

# প্ৰেৰণাৰ যাত্ৰা...

আমি প্ৰায়েই মহৎ লোকৰ কাহিনী শুনো কিন্তু এই কাহিনীবোৰৰ আঁৰত লুকাই থাকে অনেক সংগ্ৰাম আৰু প্ৰেৰণাৰ কাহিনী। এনে এক কাহিনী হৈছে মধ্যপ্ৰদেশৰ এখন গাঁৰৰ কাহিনী। এই গাঁৰৰ প্ৰতিঘৰে সৌৰ শক্তি ব্যৱহাৰ কৰে। আনহাতে ৰাজস্থান কাৰিকৰী বিশ্ববিদ্যালয়ৰ দুগৰাকী শিক্ষাৰ্থীয়ে এল'ভেৰাৰ পৰা বেটাৰী নিৰ্মান কৰি চমক সৃষ্টি কৰিছে...

## সৌৰ শক্তিৰে চলা পাকঘৰ থকা গাঁও



মধ্যপ্ৰদেশৰ বেটুল জিলাৰ বাঞ্চা এখন অনন্য গাঁও। এই গাঁৰৰ লোকসকলে এক অনন্য উদাহৰণ দাঙি ধৰিছে। এয়া যেন সকলোৰে বাবে প্ৰেৰণাৰ উৎস। অনুসূচিত জনজাতিৰ লোক থকা এখন গাঁও। এই গাঁৰৰ বাসিন্দা মাথো ৭৪ ঘৰ লোক। এই গাঁৰখনৰ বিশেষত্ব এয়াই যে ইয়াৰে প্ৰতিঘৰ লোকৰ পাকঘৰত ৰন্ধন গেছ কিম্বা খৰিৰ ব্যৱহাৰ নাই, এই গাঁৰৰ লোকে সৌৰ শক্তি ব্যৱহাৰ কৰি ৰন্ধা-বঢ়া কৰে। মখনলাল চতুৰ্বেদী ৰাষ্ট্ৰীয় সাংবাদিকতা বিশ্ববিদ্যালয়ৰ মনোজ পেটেল আৰু লোকেন্দ্ৰ সিঙে বাঞ্চা গাঁৰখনৰ ওপৰত এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিছে। এই তথ্যচিত্ৰই গ্ৰামাঞ্চলটোৰ লোকসকলৰ কষ্ট-সংগ্ৰাম আৰু উদ্ভাৱনক প্ৰতিফলিত কৰিছে। ২০১৬চনত এই জয়যাত্ৰা আৰম্ভ হৈছিল। পানীৰ ওপৰত সৰ্বোচ্ছ নিৰ্ভৰশীল এই বাঞ্চা গাঁৰৰ গাঁও বাসীয়ে বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা কৰে। পানীৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাৰ পাছত গাওঁখন প্লাষ্টিক আৰু আৱৰ্জনা মুক্ত কৰাৰ সংকল্প লয়। এই ক্ষেত্ৰত সফলতা পোৱাৰ পাছত তেওঁলোকে অএনজিচি আৰু বম্বে আইআইটিৰ সহযোগত প্ৰতিঘৰতেই সৌৰ ষ্টোভ স্থাপন কৰে। এতিয়া প্ৰতিঘৰেই সৌৰ শক্তি ব্যৱহাৰ ৰন্ধা-বঢ়া কৰে।

## বিশ্বৰ প্ৰথম সেউজ বেটাৰী




নিমিসা ভাৰ্মা আৰু নবীন সুমনে উদ্ভাৱন কৰা আৱিস্কাৰে অন্যৰ বাবে প্ৰেৰণা হৈ পৰিব। বেটাৰী আদিৰ ক্ষেত্ৰত আমি দেখো যে সেইবোৰ ব্যৱহাৰৰ পাছত পেলাই দিয়া হয়। এই বেটাৰীবোৰত থকা বিষাক্ত সামগ্ৰীয়ে আমাৰ পৰিৱেশ বিনষ্ট কৰে। এই কথাটো চিন্তা কৰিয়েই নিমিসা আৰু নবীনে বিশ্বৰ প্ৰথম সেউজ বেটাৰী নিৰ্মাণ কৰিছে। নিজৰ ষ্টাৰ্ট আপ এল' ইচেল উদ্যোগত তেওঁলোকে এল'ভেৰাৰ পৰা সেউজ বেটাৰী আৱিস্কাৰ কৰিছে। প্ৰচলিত বেটাৰীত থকা বিষাক্ত লীড, মাৰ্কাৰীৰ সলনি ইয়াত তেওঁলোকে জৈৱিক ইলেকট্ৰ' লাইট ব্যৱহাৰ কৰিছে। আৰু তেওঁলোকে উদ্ভাৱন কৰা এই বেটাৰীৰ নাম “এল' ই-চেল” নাম ৰাখিছে। এই এল' ই-চেল বেটাৰী ১.৫ ভোল্ট এএ আৰু এএএ গঠনত প্ৰস্তুত কৰা হৈছে। এয়া প্ৰচলিত বেটাৰীৰ নিচিনা ৰিম'ট, ঘড়ী, পুতলা আদিত ব্যৱহাৰ কৰিব পৰা যাব। এই এল' ই-চেল বেটাৰী প্ৰচলিত বেটাৰীতকৈ সস্তা আৰু অধিক চলিবলগীয়া। ইতিমধ্যেই একাধিক বঁটাৰে বিভূষিত এই উদ্ভাৱকদ্বয়ে এই সেউজ বেটাৰীৰ পেটেন্টৰ (বুদ্ধিমত্তাৰ অধিকাৰ) বাবেও আবেদন কৰিছে।


RNI No. :
DELASS/2020/78827
April: 1-15, 2021

NEW INDIA
SAMACHAR
FORTNIGHTLY

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2020-22, WPP NO U (S)-95/2020-22, posting at BPC, Meghdoot Bhawan, New Delhi - 110 001 on 26-30 advance Fortnightly (Publishing Date March 20, 2021, Pages - 40)

# লোণ সত্যাগ্ৰহৰ ৯১ সংখ্যক বাৰ্ষিকী

১৯৩০ চনৰ
৬ এপ্ৰিল তাৰিখে
মহাত্মা গান্ধীয়ে
লোণ আইন
ভংগ কৰি
বৃটিছ শাসনৰ
ভেটি থৰকবৰক কৰি
পেলাইছিল।



“

আমাৰ ইয়াত নিমখৰ অৰ্থ হৈছে সততা, বিশ্বাস আৰু আনুগত্য। কাৰোবাৰ নিমখ খোৱা বুলি কোৱা শুনিলে আমি এয়া বুজো যে কাৰোবাৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰিছে। সেয়েহে আমি দেশৰ নিমখ খাইছোঁ বুলি কওঁ। এনেকুৱা নহয় যে নিমখ যথেষ্ট দামী বস্তু, এয়া এইকাৰণে কোৱা হয় কিয়নো নিমখে ভাৰতত সমতা আৰু শ্ৰমক চিহ্নিত কৰে। সেই সময়ত নিমখ ভাৰতীৰ আত্মনিৰ্ভৰশীলতাৰ প্ৰতীক আছিল। কিন্তু ইয়াৰ পাছতো বিদেশৰ পৰা অহা নিমখহে দেশবাসীয়ে খাবলৈ বাধ্য হৈছিল। কিন্তু গান্ধীজীয়ে এই কথাটো উপলব্ধি কৰিছিল আৰু দেশবাসীৰ চেতনা জাগ্ৰত কৰি ইয়াক জন আন্দোলনলৈ পৰিৱৰ্তিত কৰিছিল....

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

Assamese

**Editor:** **Jaideep Bhatnagar**, Principal Director General, PIB, New Delhi

**Published & Printed by: Satyendra Prakash**, Principal Director General, BOC on behalf of Bureau of Outreach and Communication

**Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at** Viba Press Pvt. Ltd. C 66/3, Okhla, Ind Area Phase-II, New Delhi 20